# DEBATES OF THE
# ASSAM LEGISLATIVE ASSEMBLY, 1973

## (FIFTH SESSION)

VOLUME—V

No.—28

Dated the 18th July, 1973

## CONTENTS


| | | Pages |
|---|---|---|
| 1. | Questions ... ... | 1 |
| 2. | Short Notice Question Regarding Encroachment of Assam State Territory ... ... | 28 |
| 3. | Calling Attention Under Rule 54 ... ... | 75 |
| 4. | Presentation of Select Committee Report on the Assam Agricultural Produce Market Bill 1972 ... ... | 79 |
| 5. | Resolution ... ... ... | 79 |
| 6. | Adjournment ... ... | 95 |

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# PROCEEDINGS OF THE FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTION UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION

The Assembly met in the Assembly Chamber, Dispur, Gauhati at 10 A.M. on Wednesday, the 18th July, 1973.

## PRESENT

Shri R. C Barooah, B. L. Speaker in the chair, 12 (twelve) Ministers 2 (two) Ministers of the State and 86 (eighty six) Members.

## STARRED QUESTIONS AND ANSWERS

( To which oral replies were given )

Date : 18th July, 1973

( The House met at 10 A. M. with hon'ble Mr. Seaker in the Chair. )

Mr. Speaker : Pending starred question No. 53 to be replied by Minister, P.W.D.

Shri Lutfur Rahman, (Minister) : Sir, regarding the question in 53 (a) we recieved two copies of the question. One copy was as it is printed here. In May, 1965 when the Dwarika Bridge in the Sibsagar Division failed, who was the Executive Engineer in charge of the Sibsagar Division ? In another typed copy it was not only who was the Executive Engineer in-charge of the Sibsagar Division but who was the Executive Engineer in-charge of the Sibsagar Division in May, 1965 when the Dwarika Bridge collapsed ? This part was not printed. In view of that the anwer two 53 (a) is The Dwarika Bridge did not fail nor collapsad in May, 1965, however some defects in concreting of one girder was notice by Executive Engineer during his Inspection in May, 1965 and got rectifld at the cost of the contractor. Shri H. N. Chakravarty was the Executive Engineer in-charge of Sibsagar Division at that time.

(b) There was no objection raised by Accountant General and Public Accounts Committee regarding designing the bridge. There was however, objection for delay in construction of the Bridge which is not yet settled.

(c) Yes, as the post of Superintending Engineer is a selection post, seniority confers no claim. The Officer was promoted on overall assesment of his service records.

(d) No. Confirmation is not a criterion for selection of officers for promotion to the rank of Superintending Engineer.

Shri Dulal Chandra Barua : May I know from the hon'ble Minister when the bridge collapsed-in which year and on what date ?

Shri Lutfur Rahman, Minister : It occurred on 1.6.64.

Shri Dulal Chandra Barua : Whether any enquiry has been made to this effect and what is the finding ?

Shri Lutfur Rahman, Minister : There was enquiry and defects during construction, delay in supply of meterials and many other defects were found.

Shri Dulal Chandra Barua : Whether responsibility has been fixed up on any officer ? And if so, whether the officer has been taken to task ?

Shri Lutfur Rahman, Minister : The Commission recommended action against the S. D. O the Executive Engineer, the Superintending Engineer including the officer who was in charge of designing. They were given warning.

Shri Dulal Chandra Barua : Did the Government consider warning to be sufficient punishment to such kind of officers ?

Shri Lutfur Rahman : That was the punishment recommended and that was done by the department. Regarding Shri Chakravarty the recommendation unfortunately was not received in time in regard to punishment.

Shri Dulal Chandra Barua : When the bridge was actually completed ?

Shri Lutfur Rahman, Ministe : In December, 1965.

Shri Dulal Chandra Barua : What was the original estimate and what was the final expenditure ?

Lutfur Rahman, Minister : It has not been settle. There was some irregularity in regard to payment.

Smti Renuka Devi Barkataki : The Miniter said that there is nothing wrong in the design of the bridge. But one of the main allegation against the Executive Engineer was that due to wrong designing of the bridge the Govt. has to pay or paid more than Rs. 4 Lakhs and this extra amount was paid because the angular design was wrong.

Shri Lutfur Rahman, Minister : That was not one of the allegations against the Executive Engineer. There was allegation against the Designing Engineer.

Smti Renuka Devi Barkataki : The Minister stated that there was nothing wrong with the Design and now he has given the actual fact and the design Engineer was accordingly arraigned, because it was due to the wrong design the Govt. had to pay more. The approach of the bridge was also wrong.

Shri Lutfur Rahman, Minister : There was no objection raised regarding the designing of the bridge. This is in regard to the Accountant General and the Public Accounts Committee. But what was found by the Enquiry Commission and ourselves is that there was something wrong in the designing.

Shri Dulal Chandra Barua : May I know from the Minister what was the original estimate and what was expenditure that has been incurred for the bridge including the approach ?

Shri Lutfur Rahman, Minister : The original estimated expenditure was Rs. 3,64,000/- the final amount I cannot say because there was some irregularity.

Shri Dulal Chandra Barua : Including the approach work how much we are to pay now for the bridge ?

Shri Lutfur Rahman, Minister : That figure is not with me.

Shri Gaurisankar Bhattacharyya : There are two parts in regard to the question. The first part is with regard to designing and the other is with regard to execution. The hon'ble Minister has given reply in regard to designing. What he has to say in regard to execution ?

Shri Dulal Chandra Barua : How may times the plans and estimates and the design have been changed ?

Shri Lutfur Rahman, Minister : Design has been changed once. Plans and estimates have not been changed.

Shri Dulal Chandra Barua : Is it not a fact that the

design and estimate have been changed five times ?

Shri Lutfur Rhaman, Minister : I have no knowledge.

Shri Dulal Chandra Barua : Will the Minister verify it ?

Shri Lutfur Rahman, Minister : Definitely.

বিঃ পৰ্য্যটক বাসস্থান

শ্ৰীৰেৱতী দাসে সুধিছে :

*৬৪২। মাননীয় পৰ্য্যটক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ ৰেচম শিল্প উৎপাদনৰ প্ৰধান কেন্দ্ৰ শোৱালকুছিত পৰ্য্যটক সকলে থকাৰ ব্যৱস্থা নোহোৱাত বহু অসুবিধা ভোগ কৰা বিষয়ে চৰকাৰ অবগতনে ?

(খ) যদি জানে, এই গাওঁখনত পৰ্য্যটক বাসস্থান সাজি দিয়াৰ কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( পৰ্য্যটন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

৬৪২। (ক)—শোৱালকুছিত পৰ্য্যটকসকল থকাৰ ব্যৱস্থা নোহোৱা বাবে অসুবিধা ভোগ কৰা বুলি কোনো পৰ্য্যটকৰ পৰা তেনে অভিযোগ এতিয়ালৈ চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই।

(খ) - শোৱালকুছিলৈ যোৱা পৰ্য্যটকৰ পৰিসংখ্যাৰ ওপৰত ভিত্তি কৰি এই কথা পৰীক্ষা কৰি চোৱা হ'ব ।

শ্ৰীৰেৱতী দাস : অধ্যক্ষ মহোদয়, নানান ঠাইত যিবিলাক পৰ্য্যটক নিবাস আছে সেইবিলাক স্থানীয় দাবীৰ ওপৰত ভিত্তি কৰি নিৰ্ম্মাণ কৰিছেনে প্ৰয়োজন হিচাবে নিৰ্ম্মাণ কৰিছে ? এই নিবাসবিলাকৰ পৰা চৰকাৰ লাভবান হয়নে ৰাইজ লাভবান হয় ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : এই বিষয়ে দাবীৰ কোনো প্ৰশ্ন নাই। যলৈকে পৰ্য্যটক যায়, সেইবিলাক ঠাইত পৰ্য্যটক নিবাস নিৰ্ম্মাণ কৰা হয়। আৰু ইয়াৰ পৰা এহাতে পৰ্য্যটক লাভবান হয় আৰু আন হাতে ৰাইজ বা চৰকাৰৰো লাভ হয়।

শ্ৰীৰেৱতী দাস : অধ্যক্ষ মহোদয়, ১৯৭০ চনৰে পৰা অসমৰ ৰেচম শিল্প উৎপাদনৰ প্ৰধান কেন্দ্ৰসমূহ চাবৰ কাৰণে অসমৰ বাহিৰৰ পৰাও নানান পৰ্য্যটক আহে। এই পৰ্য্যটক সকলৰ বাসভৱনৰ অসুবিধা হেতুকে তাত বহুতো অসুবিধাৰ সন্মুখীন হবলগীয়া হয়, এই মৰ্ম্মে সেই ঠাইৰ পৰা নানা অভিযোগ আহিছে কিন্তু পৰ্য্যটক নিবাস নিৰ্ম্মাণ কৰা কোনো ব্যৱস্থাই চৰকাৰে আজি পৰ্য্যন্ত লোৱা নাই। চৰকাৰে এই বিষয়ে গুৰুত্ব দিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই পৰ্য্যটক সকলে এই ৰেচম শিল্পৰ কেন্দ্ৰসমূহ চাবৰ কাৰণে গুৱাহাটীৰ পৰা গাড়ীৰে অহা যোৱা কৰে। গতিকে কেন্দ্ৰত পৰ্য্যটক নিবাস লাগে বুলি এতিয়া-লৈকে চৰকাৰৰ গুচৰত দৃষ্টিগোচৰ কৰা নাই।

শ্ৰীমতী আনোৱাৰা টাইমুৰ : অধ্যক্ষ মহোদয়, কি ভিত্তিত এই পৰ্য্যটক আৱাসবিলাক হব লাগে এনে ধৰণৰ দিহা পৰামৰ্শ দিবলৈ কিবা উপদেষ্টা কমিটি আছে নেকি ? যদি আছে তাৰ সদস্যসকল কোন কোন ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : চাৰ, উপদেষ্টা কমিটি আছে কিন্তু এইটো এটা নতুন প্ৰশ্ন।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো গুৱাহাটীৰ পৰা শুৱালকুছিলৈ পৰ্য্যটকসকল অহা যোৱা কৰা কিবা বিশেষ গাড়ীৰ সুবিধা আছে নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : চাৰ, মই আগতে উত্তৰত কৈছো।

শ্ৰীজগদীশ চন্দ্ৰ দাস : মই মন্ত্ৰী মহোদয়ৰ জানিব বিছাৰিছো কিমান বাহিৰৰ মানুহ এই শুৱালকুছিৰ ৰেছম শিল্প চাবলৈ অহা যোৱা কৰে তাৰ কিবা হিচাব আছে নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : তেনে হিচাব আমাৰ নাই বুলি মই আগতে কৈছো।

Re : Local Office of F. C. I.

Shri Dulal Chandra Barua asked :

*643. Will the Chief Minister be pleased to state—

(a) Whether it is fact that the Food Corporation of India has decided to set up a local office at Gauhati ?

(b) If so, when the said office will function ?

(c) Whether the unemployed youths will be given special preference for employment in the local office of the Food Corporation of India ?

(d) Whether the Government have made serious attempts in this regard through the Union Ministry of Food and Agriculture ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied .

643. (a) and (b)—The local office of the Food Corporation of India was set up at Gauhati several years back.

(c)—In all the category IV and category III ( Assistant grade III etc. ) posts appointments are made from the local youths sponsored by the Employment Exchange.

(d)—In view of the answer against (c) above it does not appears that the matter need be taken up further with Union Ministry of Food and Agriculture.

Shri Dulal Chandra Barua : May I know from the Chief Minister the number of local people employed by the F.C.I. ? Is that figure available ?

Shri Sarat Chandra Sinha (Chief Minister) : That figure might be available but not with me at the moment.

Shri Premodhar Bora : May I know from the Chief Minister whether the Government of Assam has any control over the F. C. I. so far as recruitment to the organisation is concerned ?

Shri Sarat Chandra Sinha ( Chief Minister ) : So for as recuritment is concerned, as I have already stated, Sir, appointments are made from the local youth sponsored by the Employment Exchange.

Shri Premodhar Bora : Considering the burning unemployed question will the Government of Assam be pleased to take up the matter with the F. C. I. so that in future no recruitment will be made from people outside this State ?

Shri Sarat Chandra Sinha ( Chief Minister ) : I have not been able to follow the question. But so far as the Employment Exchange is concerned they have upgraded their Regional Office to a Zonal Office.

Shri Gaurisankar Bhattacharya : Are the Government aware of the fact that the Zonal Office for this region being located at Calcutta, so for as employment to higher categories of service is concerned, it is controlled entirely from Calcutta ?

Shri Sarat Chandra Sinha ( Chief Minister ) : That may be so.

Shri Dulal Chandra Barua : Are the Government aware of the fact that the Headquarters of the F. C. I. as stated earlier by one Hon. Member, being in Calcutta, F.C.I. always use to bring first grade officers from outside this State if so, whether Government will take up the matter with the Government of India so that all these grade I officers are recruited from here or appointed on deputation from Government of Assam ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, the question of the Hon. Member Shri Barua, is identical with that of Shri Bhattacharya to which I have already ready replied, "That may be so."

Shri Atul Chandra Saikia : Sir, the vacancies occurring in the Assam region are filled up in Calcutta and then the Officers so recruited are transferred to Gauhati. Whether the Government is aware of this fact ?

Shri Sarat Chandra Sinha ( Chief Minister ) : We will have to look into this matter.

শ্ৰীৰবীন কুমাৰ গোস্বামী : অসমত থকা খাদ্য নিগমৰ পূৰ্বাঞ্চলৰ যিটো সদৰ কাৰ্য্যালয় সেইটো আঞ্চলিক সদৰ কাৰ্য্যালয় হব বুলি কেন্দ্ৰীয় কৃষিমন্ত্ৰী শ্ৰীফকৰুদ্দিন আলি আহমেদে কিবা আশ্বাস দিছিল নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) : এতিয়ালৈকে তেনে কোনো আশ্বাস পোৱা নাই ।

Shri Dulal Chandra Barua : May I know from the Hon. Chief Minister whether any percentage has been fixed by the Employment Exchange for sponsoring local candidates for appointment in the F. C. I. including candidates for higher categories ?

Shri Sarat Chandra Sinha ( Chief Minister ) : So far as the question of employment in jobs of the higher categories is concerned, Sir, it is made on all India basis. As regards the jobs in the lower categories, appointments are made from local candidates sponsored by the employment Exchange.

Shrimati Renukadevi Barkataki : Sir, in categories I and II officers for the F. C. I. are directly appointed from Calcutta and for vacancies in lower categories also which occur in the Assam region are filled up by transferring officers appointed in Calcutta. May I know from the Hon. Chief Minister whether it is not a fact that the Employment Exchange while sponsoring candidates for employment in Assam treat all such candidates as local candidates whose names and addresses are given as care of such and such, P.O. Gauhati, Assam ?

Shri Sarat Chandra Sinha ( Chief Minister ) : That is a matter which concerns the Employment Exchange.

Shrimati Renukadevi Barkataki : If it is a matter that concerns only the Employment Exchange than is it not at the discretion of the F. C. I. to recruit any person who gives his name and address as "Care of some one, P. O. Gauhati, Assam" although he comes actually from outside this State ?

Is there any restriction of names by the Employment Exchange here ?

Shri Sarat Chandra Sinha (Chief Minister) : That is we will have to look into.

Shri Dulal Chandra Barua : If there is no restriction and if a person coming from Calcutta can register his name here, then is the Govt. aware of the fact that there would be no difficulty for a person coming from outside the State to register his name here as a local candidate ? If so whether Government will consider the necessity of restricting registration in the Employment Exchanges here only to those candidates who are born and brought up in the State of Assam.

Shri Sarat Chandra Sinha (Chief Minister) : Sir, so far as that particular office is concerned, it is Govern by rules made by the Government of India to amend that Rule.

শ্ৰীমতী আনন্দি বালা ৰাভা ঃ কেন্দ্ৰীয় চৰকাৰৰ যিবিলাক বিভাগ অসম ৰাজ্যত খোলা হৈছে প্ৰত্যেক বিভাগতে কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ ইচ্ছানুসৰি অসমৰ বাহিৰৰ বিষয়া নিযুক্ত কৰি অসমৰ জনসংখ্যা বঢ়াইছে আৰু লগে লগে থলুৱা নিবনুৱা সকলক চাকৰিৰ পৰা বঞ্চিত কৰা হৈছে। অসম চৰকাৰে তাত কৰিবলগীয়া একো নাই নেকি ? অসম চৰকাৰে ভাবে নেকি যে অসমত তেনে গ্ৰেদ ১- বা ২-ত চাকৰি কৰিব পৰা যোগ্য বা শিক্ষিত ডেকা ল'ৰা নাই ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ এইটো এটা সাধাৰণ প্ৰশ্ন।

শ্ৰীনগেন বৰুৱা : আমাৰ যিবিলাক যোগান বিভাগৰ বিষয়া ব ইন্সপেক্টৰ এই বিভাগত ডেপুটেচনত আছে সেই লোকসকলৰ পদ মৰ্যাদা বা প্ৰমোচনৰ দাবীৰ ক্ষেত্ৰত এফ. চি আই. বিভাগে মনোযোগ নিদিয়া কথাটো আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) : এই বিষয়ে মনোযোগ দিয়া নিদিয়া কথাটো ভাৰত চৰকাৰৰ কথা।

শ্ৰীজগদীশ চন্দ্ৰ দাস : অধ্যক্ষ মহোদয়, এফ. চি. আই. বিভাগে

কিছুমান প্ৰাৰ্থী বিচাৰি ১৬ জুলাই তাৰিখে খবৰৰ কাগজত বিজ্ঞাপন দিছে। তাত লিখিছে :

"Subject to availability of qualified candidates 6 p. c. of the posts are reserved for Scheduled Caste and 13 p. c. for Scheduled Tribes."

এই শতকৰা ৬ আৰু ১৩ ভাগ কি ভিত্তিত ৰাখিছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) : এইটো এফ. চি. আইৰ কথা, আমি কোৱা টান।

Re : Retrenchment of employees

Dr. Bhumidhar Barman asked :

*643. Will the Minister P. W. D. be pleased to state—

(a) What is the total number of retrenched employees under P. W. D. ( R. & B. ), North Kamrup Division at Nalbari retrenched as a result of "*Economic cut*" ?

(b) How many of them were re-employeed ?

Dr. Lutfur Rahman ( Minister, P. W. D. ) replied :

644. (a)—Total 333 Nos. ( Work-charged 77 and Muster roll labourers 256).

(b)—Total 233 Nos. ( Work-chargsd 73, Muster roll labourers 160 Nos. ) are re-absorbed.

শ্ৰীভূমিধৰ বৰ্ম্মণ—যিবিলাক বাকী আছে সেইবিলাকক কেতিয়া দিব ?

ডাঃ লুটফুৰ ৰহমান—চেষ্টা কৰি আছো দিবলৈ।

Shri Dulal Chandra Barua : May I know from Hon. Minister for P. W. D. whether the economic cut will be withdrawn from the P. W. D. in view of the growing unemployment situation in our State.

Shri Lutfur Rahman (Minister P. W. D.) : I am sorry, Sir, I cannot say anytning about withdrawing of the economic cut. I fail to understand what is the meaning of the "economic cut" But it is fact that we experienced some difficulty regarding the finance, but the position has since improved, and whether revenue for employment has opened up we are trying to absorb the retrenched Work-Charged lobourers.

Shrimati Renukadevi Borkotoki : Sir, the Minister today has come forward with a contradictory statement that these people were retrenched due to economy cut. The other day the Minister said that these people were retrenched as there was no work. May we know for which reason these people were actually retrenched ?

Shri Lutfur Rahman ( Minister ) : Sir, I have already said that I could not understand what was the pattern of economy cut. But there was defenitely some difficulties in respect of finance. Also it is a fact that there was less work load.

Shri Dulal Chandra Barua : Sir. this is a very long pending matter. It has been said that this matter is under consideration. How long Govt will take to solve this problem ?

Shri Lutfur Rahman ( Minister ) : Sir, the matter is not only under consideration but this is under active consideration of the Govt. We are trying to take action as early as possible.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ কৰ্মীসকলৰ ভিতৰত ৬০ বছৰ হোৱা কিমান জন কৰ্মী আছে ?

ডাঃ লুটফুৰ ৰহমান ঃ কোৱা টান হব।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ সংশ্লিষ্ট আইন অনুসৰি এই ছাটাই কৰা কৰ্মীসকলক ক্ষতিপূৰণ দিব লাগে, গতিকে এই আইন অনুসৰি ছাটাই কৰা সকলক ক্ষতিপূৰণ দিয়া হৈছিল নে ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী ) : দিয়া হোৱা নাই কিন্তু এই গোটেই বিলাক কথা আমি বিবেচনা কৰি আছো আৰু তেওঁলোকৰ লগত কথা পাতি আছো।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : এইটো আইন থকা স্বত্বেও যে চিন্তা কৰি থকা বুলি কৈছে এইটোৰ সংক্ৰান্তত যদি আইন ভঙ্গ কৰা বুলি কোনোবাই সমালোচনা কৰে তেনেহলে তেখেতে প্ৰত্যুত্তৰ কি দিব ?

ডাঃ লুটফুৰ ৰহমান ( মন্ত্ৰী ) : আমাৰ আইন ভঙ্গ কৰাৰ ইচ্ছা নাই, যদি আইনত এইটো থাকে তেন্তে দিম।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : মন্ত্ৰী মহোদয়ে কৈছিল যে যিসকল কৰ্মীক এই গড়কাপ্তানী বিভাগৰ পৰা এৰি দিয়া হৈছিল তেওঁবিলাকক অস্থায়ী ৰাজধানীৰ কামত খটুৱা হব, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই অস্থায়ী ৰাজধানীৰ নিৰ্ম্মাণৰ কামত এনে ধৰণৰ এৰি দিয়া লোক খটুৱা হৈছে নে ?

Shri Lutfur Rahman ( Minister ) : I have one figure only. We have absorbed about 41 in North Kamrup Division.

Shri Dulal Chandra Barua : The matter is under active consideration as has been said by the Minister. What is the difference between "under consideration" and "under active consideration" ?

Shri Lutfur Rahman ( Minister ) : We are trying to finalised the matter as early as possible. This is the difference.

শ্ৰীভূমিধৰ বৰ্ম্মণ : মজদুৰ যি সকলক পুনৰ নিযুক্তি দিয়াৰ বাকী আছে তেওঁলোকক নিদিয়াৰ ফলত নলবাৰী অঞ্চলত ৰাস্তাবিলাকৰ অৱস্থা বেয়া হোৱাটো মন্ত্ৰী ডাঙৰীয়াই জানেনে ?

ডাঃ লুটফুৰ ৰহমান : নলবাৰীৰ ৰাস্তা বেয়া হৈছে এইটোৰ কাৰণে নতুন অফিচাৰ দি আৰু পইচা আদি দি কেনেকৈ ভাল কৰিব পৰা যায় চিন্তা কৰিছো।

Re : Supply of yarn

Shrimati Renukadevi Barkataki asked :

*645. Will the Chief Minister be pleased to state—

(a) What is the total number of persons who solely depend on weaving as their means of living ?

(b) Whether Government would supply required quantity of yarn to these weavers ?

(c) Whether it is fact that there is no supply of cotton Yarn to Gauhati in control price fixed by Government of India ?

(d) If not, what is the total quantity of yarn ( control price ) made available to the State ?

(e) What are the distribution machineries of this yarn ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

645. (a)—According to the estimates of the Supply Department, there are about 50 thousand professional handloom weavers and a few hundred powerloom weavers depending on weaving as their main means of living.

(b)—It is the constant endeavour of Government to supply the required quantity of yarn to these weavers.

(c)—No.

(d)—Till now about 15.45 lakhs kg. of hank yarn and about 2.5 lakhs kg. of cone yarn has been allocated to the State.

(e)—The cotton yarn allocated to the State is brought to their godowns by the Cotton Corporation of India and thereafter sold to the wholesale nominees of the Deputy Commissioners who in turn sell the yarn to the retail nominees of the Deputy Commissioners for sale by them ultimately to the consumers.

Shri Gaurisankar Bhattacharjya : With regard to (d) whether the Govt. has got any figure in respect of annual requirement of hank yarn and cone yarn in the State ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, our annual requirement of hank yarn is about 4 lakhs 10 thousands k. g. and cone yarn about 1 lakh 50 thousand k. g.

Shrimati Renuka Devi Borkotoki : Is it a fact that the yarn is not available in the villages ? Is it also a fact that women folk from the villages used to come to Gauhati to get the yarn at a very high price ?

Shri Sarat Chandra Sinha (Chief Minister) :— Sir, the position was bad earlier. It has improved a little now and we are expecting further improvement in the near future.

Shri Gaurisankar Bhattacharjya : According to the figures given by the Chief Minister the annual requirment is about 5½ lakh k. g. whereas in the first quarter the supply was only about 15 thousand k. g. If that be some then how the Govt. propose to fill up the gape in the remaining months ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, that I have already said. There was scarcity some time back. Now. the position has improved and the Cotton Corporation of India has assured us that it will be able to supply the required quantity.

Shri Biswanath Upadhaya : May I have a district wise figures. I also want to know what quantity has been allotted for the District of Cachar.

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, in April, June/73. The allotment is like this. Gauhati 20,500 k. g. Sir, different counts are there. I want to give only the total. The total quantity alloted, Gauhati 12,030 k. g., Dhubri 8,905 k. g., Nowgong 9,590 k. g., Jorhat 6,165 k. g., Dibrugarh 3,425 k. g., Silchar 11,646 k. g., Diphu 860 k. g.,

Haflong 220 k. g. Total 63,431 k. g. That was the position in April and June. Now the position has improved.

Shri Dulal Chandra Barua : Sir, May I know from the Hon'ble Chief Minister what is the district-wise requirement and who generally makes the assesment of the requirement ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, the requirement is assessed on the basis of the number of Handloom and Powerloom Weavers depending on weaving as their main means of living.

Shri Dulal Chandra Barua : Sir, my question is not replied. My question is what was the district-wise requirement ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, I have already stated that district-wise requirement is not with me now. Only the total requirement of the State is with me.

শ্ৰীআব্দুল জেলিল চৌধুৰী : অধ্যক্ষ মহোদয়, তূলা না পাওয়ার দরুণ গ্রামাঞ্চলের তাঁতিরা অভাবগ্রস্ত হয়েছে এবং তাদের কিছু কিছু নিজ পরিবার রাখার জন্য তাঁত বিক্রী করে দিয়েছে। বর্ত্তমানে তূলা পেয়েও তারা কিনার ক্ষমতা না থাকার দরুণ কিনতে পাইতেছেনা। তাদের আর্থিক সাহায্য দেওয়ার কোন পরিকল্পনা সরকারের আছে কি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ : এইটো এটা নতুন প্ৰশ্ন।

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় মুখ্যমন্ত্ৰীয়ে প্ৰশ্নৰ উত্তৰত কৈছে যে ৫০ হাজাৰ ব্যৱসায়ী শিপিনীক ৪ লাখ ১০ হাজাৰ কেজি সূতাৰে তাঁতশাল গোটেই বছৰ চলাই থকা ব্যৱস্থাৰ কথা কৈছে। এই ৪ লাখ ১০ হাজাৰ কেজি সূতা ৫০ হাজাৰ শিপিনীৰ মাজত ভাগ কৰিলে প্ৰতি গৰাকীৰ ভাগত বছৰি ৮ কেজিকৈ পৰে। এই ৮ কেজি সূতাৰে খুব বেচি ২০/২২ খন ধূতি বা শাৰী বৈ লব পাৰে। এবছৰৰ ভিতৰত ৮ কেজি সূতাৰে কাপোৰ বৈ এগৰাকী শিপিনী কেনেকৈ জীয়াই থাকিব পাৰে এই কথা

মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ— প্ৰফেচনেল শিপিনী হল ৫০ হাজাৰ আৰু দমেষ্টিক শিপিনী হ'ল ৪ লাখ ৫০ হাজাৰ। যিসকল প্ৰফেচনেল সেইসকলক বেচি লাগে। দমেষ্টিক বিলাকে তেনেকৈ বেচি ব্যৱহাৰ নকৰে।

শ্ৰীসোনেশ্বৰ বৰা: ৫০ হাজাৰ শিপিনীৰ মাজত ৪ লাখ ১০ হাজাৰ কেজি সূতা বিতৰণ কৰিলে বছৰি ৮ কেজিকৈ পৰে। এই সূতাৰে এগৰাকী শিপিনী ব্যৱসায় ভিত্তিত কেনেকৈ জীয়াই থাকিব পাৰে সেই কথা চৰকাৰে উপলব্ধি কৰিছেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ: জীয়াই থকাৰ কথা মই কোৱা নাই।

শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্য: বৰা ডাঙৰীয়াৰ প্ৰশ্নৰ যিটো উত্তৰ দিলে সেইটো আৰু সাংঘাটিক কথা। বৰা ডাঙৰীয়াৰ অভিযোগ হৈছে যি সকলে কাপোৰ বৈ জীৱন নিৰ্বাহ কৰে সেইসকলৰ কাৰণে যি সূতা দিয়া হৈছে সেই সূতাৰ পৰা বছৰি ৮ কেজিকৈ পায়। আৰু যিবিলাক ঘৰুৱা শিপিনী আছে সেই সংখ্যাটো যোগ দিলে প্ৰত্যেক খন তাঁতশালে এক কেজিকৈ সূতা পাব। গতিকে এই হিচাবটো চৰকাৰে কেনেকৈ পৰ্য্যাপ্ত বুলি ভাবে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ: হেণ্ডলোম দুটা ভাগত ভাগ কৰা হৈছে। এটা প্ৰফেচনেল আৰু আনটো দমেষ্টিক। দমেষ্টিকটোৱে বেচি সূতা ব্যৱহাৰ নকৰে। আৰু প্ৰফেচনেল যি ৫০ হাজাৰ আছে তাৰ ওপৰত ভিত্তি কৰিয়েই এই হিচাবটো দিয়া হৈছে।

Shri Premodhar Bora: Sir, May I know from the Hon'ble Chief Minister, whether the quota is determined on the basis of the requirement of the weavers or on the basis of the supply position of yarn ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ: এইটো আমাৰ চাহিদাৰ ওপৰত নিৰ্ভৰ কৰে।

শ্ৰীতুলাৰাম চন্দ্ৰ বৰুৱা— মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা মই স্পষ্টভাবে জানিব বিচাৰিছো যে যিটো হিচাব দিছে সেই হিচাবটো আমি শুদ্ধ বুলি ধৰি লব নোৱাৰো। কি ভিত্তিত মুখ্যমন্ত্ৰীয়ে এই হিচাবটো ডাঙি ধৰিছে সেই কথা মই জানিব বিচাৰিছো। আৰু এক কেজি সূতাৰে মানুহ কেনেকৈ

ঙীয়াই থাকিব বিছাৰে মই জানিব বিচাৰিছো ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ— মই এইটো চাম।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া— আমাৰ চন্দ্ৰপুৰত যিটো মিল আছে তাত বছৰি ৮০ হাজাৰকৈ সূতা তৈয়াৰ কৰে। এতিয়া অসমৰ ৫০ হাজাৰ শিপিনীয়ে এই সূতা ব্যৱহাৰ পাইছে নেকি ? যদি নাই পোৱা তেনেহলে কোন ৰাজ্যলৈ এই সূতা পঠোৱা হৈছে সেই কথা মই জানিব বিচাৰিছো।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ— সূতা কনট্ৰলৰ ক্ষেত্ৰত সমগ্ৰ ভাৰতৰ মিলবিলাকত যিমান সূতা উৎপাদন হয় সেই হিচাৱে য'ত যিমান লাগে সেই হিচাবে বিতৰণ কৰা হয়। আৰু য'ত চাহিদা থাকে তালৈ দিয়ে আৰু য'ত চাহিদা নাই তাত দিয়া নহয়। মাননীয় সদস্যই যি হিচাব বিচাৰিছে সেই হিচাব মোৰ হাতত নাই।

শ্ৰীপিটসিং কোঁৱৰ— আমাৰ চেতুলোম আৰু পাৰাৱলোম থকাৰ ওপৰিও আৰু কো-অপাৰেটিভ ওৱেভাৰ আছে। তেওঁলোককো এই হিচাবত অন্তৰ্ভুক্ত কৰা হৈছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ— লোম আছে যেতিয়া সেইবিলাক নিশ্চয় অন্তৰ্ভুক্ত আছে।

শ্ৰীজগদীশ দাস— মই জানিব বিছাৰিছো যে আমাৰ শিপিনীৰ তুলনাত সূতাৰ পৰিমাণ কম হৈছে। এইটো বৃদ্ধি কৰিবলৈ চৰকাৰে কি ব্যৱস্থা কৰিছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ— মই এইটো চাম বুলি কৈছো।

শ্ৰীজালাল উদ্দিন আহমেদ— যি ৪ লাখ ১০ হাজাৰ সূতা দিয়া হৈছে তাৰ ভিতৰত বগা সূতা আৰু ৰঙীন সূতাৰ পৰিমান কিমান ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এইটো মোৰ হাতত নাই।

বিঃ পৰশুৰাম কুণ্ডত তীৰ্থযাত্ৰী

শ্ৰীমতী তৰুলতা বৰাই সুধিছে ঃ

*৬৪৬। মাননীয় পৰ্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে--

(ক) তিনিচুকীয়া মহকুমাৰ শদিয়া অঞ্চলৰ মাজেদি বছৰি 'পৰশুৰাম

কুণ্ডত তীৰ্থ কৰিবলৈ বাহিৰৰ পৰা কিমান মানুহ আহে তাৰ হিচাব চৰকাৰে ৰাখিছেনে ?

(খ) যদি ৰাখিছে কোন প্ৰদেশৰ কিমান যাত্ৰী আহে জনাব নেকি ?

(গ) এই চলিত বছৰত কিমান যাত্ৰী আহিছিল আৰু তাৰ কিমান সংখ্যক যাত্ৰী বৰ্ত্তমানে ঘূৰি গ'ল আৰু কিমান সংখ্যক যাত্ৰী শদিয়া অঞ্চলত আছে তাৰ এটি হিচাব দিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( পৰ্য্যটন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৬৪৬। (ক)—যেহেতু তীৰ্থস্থানখন অসমৰ বাহিৰত অৱস্থিত, ৰাজ্যিক চৰকাৰে এনেকুৱা হিচাব ৰখাৰ আৱশ্যক অনুভৱ নকৰে।

(খ)—প্ৰশ্ন নুঠে।

(গ)—প্ৰশ্ন নুঠে।

শ্ৰীমতী তৰুলতা বৰা : মই এইটো কথা জানিব বিচাৰিছো যদিও এই ঠাই অসমৰ বাহিৰত আৰু অসমৰ বাহিৰৰ মানুহ অসমৰ ভিতৰেদি অৰুণাচলৰ পৰশুৰাম কুণ্ডলৈ যায় এই কথা স্বীকাৰ নকৰেনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : যায়।

শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্য : পৰশুৰাম কুণ্ড যদিও বৰ্ত্তমান নেফাৰ ভিতৰত পৰিছে তথাপি তালৈ যোৱা মানুহখিনিৰ ভিত্তি হৈছে শদিয়া যিটো আমাৰ ৰাজ্যৰ ভিতৰতে পৰিছে আৰু তাৰ ওপৰতেই ভিত্তি কৰি মানুহখিনিয়ে পাৰ হৈ যায় আৰু তাত গৈ স্নান কৰে, গতিকে তিনিচুকীয়াৰ পৰা শদিয়ালৈ এই বৃহৎ অঞ্চলত যি চাউনী পতা হয় সেইবোৰত নিৰাপত্তা আৰু জনস্বাস্থ্যৰ কাৰণে সেই ঠাইত জমা হোৱা মানুহবোৰৰ এটা হিচাব ৰখাতো চৰকাৰে প্ৰয়োজন বোধ নকৰে জানো ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : শদিয়াৰ মাজেদি যিবিলাক মানুহ বা যিবিলাক যাত্ৰী অহা যোৱা কৰে তেওঁলোকৰ সংখ্যাটোৰ এটা হিচাব ৰাখিব লাগে, সেইটো সঁচা কথা।

শ্ৰীমতী তৰুলতা বৰা শদিয়াৰ মাজেদি আজি ইমান দিনে যিবিলাক যাত্ৰীয়ে অহা যোৱা কৰি আছে তেওঁলোকৰ হিচাবটো ৰখা হোৱা নাই কিয় ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী )— তাৰ ব্যৱস্থা কৰি থকা হৈছে।

শ্ৰীক্ষীৰোদ শইকীয়া : অধ্যক্ষ মহোদয়, এই যে তীৰ্থ কৰিবলৈ অহা কিছুমান অসমৰ বহিৰাগত লোক সেই ঠাইৰ পৰা নগৈ তাতে স্থায়ী ভাবে ৰৈ গৈছে আৰু তাত একোখন বিৰাট 'কল'নি' পাতিছে সেই সম্পৰ্কত তাৰ কিছুমান থলুৱা লোকে সজাতী দল হিচাবে চৰকাৰৰ ওচৰত গোচৰ তৰাটো সঁচানে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ মোৰ ইয়াত অন্থা নাই, ইয়াত এইটো প্ৰশ্ন নুঠে যেন লাগে।

শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্য : এই চলিত বছৰৰ ভিতৰত যিমানখিনি যাত্ৰী আহিছিল তাৰ ভিতৰত কিমান সংখ্যক যাত্ৰী তাৰ পৰা গুচি গ'ল আৰু কিমান সংখ্যক যাত্ৰী শদিয়াতে আছে ? অসমৰ বাহিৰৰ কেৱল ভাৰতবৰ্ষৰ মানুহেই নহয় ভাৰতবৰ্ষৰ বাহিৰৰ পৰাও কিছুমান যাত্ৰী তালৈ তীৰ্থ যাত্ৰা কৰিবলৈ যায় আৰু সেই সুবিধাৰ আহিলা লৈ তিনিচুকীয়া আৰু শদিয়াত থিতাপি হৈ ৰৈ যায় এনে অৱস্থাত সীমা মূৰীয়া ৰাজ্য হিচাবে এই ৰাজ্যখনৰ নিৰাপত্তা যে বিপন্ন হৈ পৰিছে আৰু কিমান সংখ্যক যাত্ৰী তীৰ্থ যাত্ৰা কৰিবলৈ গৈ তাতে ৰৈ গ'ল, নিৰাপত্তাৰ খাতিৰত এই মানুহখিনিৰ হিচাবটো ৰখাৰ প্ৰয়োজন বোধ চৰকাৰে নকৰে জানো ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ সেইটো পৰ্য্যটন বিভাগে চাব। পৰশুৰাম কুণ্ডলৈ যিসকল যাত্ৰী যায় সেইটো হিচাব ৰখা হোৱা নাই আৰু এতিয়াৰ পৰা সেই হিচাব ৰাখিবলৈ উপাযুক্তক নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীমতী তৰুলতা বৰা : চৈখোৱা ঘাট কুণ্ডীল নগৰত অৱতীৰ্ণ হোৱাৰ লগে লগে সেই যাত্ৰীসকলক চিতা আৰু বেজী দিয়া হয় আৰু সেই যাত্ৰী সকল কৰ পৰা আহিছে সেইটো লিখা হয় আৰু নেফালৈ পাচপোৰ্ট দিয়া হয় তেনে অৱস্থাত মানুহৰ হিচাব লিখা হোৱা নাই বুলি কৈছে. সেই বিষয়ে মন্ত্ৰী মহোদয়ে পৰিস্কাৰ কৰিব নে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ এই হিচাবটো অৰুণাচল চৰকাৰৰ দ্বাৰা ৰখা হয়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : কোনো মন্ত্ৰীয়ে প্ৰশ্নৰ উত্তৰ দিবলৈ অহাৰ আগতে ভালদৰে চাই-চিতি অহা উচিত আৰু প্ৰশ্নৰ উত্তৰ পৰিস্কাৰভাৱে দিব লাগে। চৰকাৰে কুণ্ডীল নগৰৰ ওচৰত বেজী চিতা দিয়াৰ ব্যৱস্থা

কৰে আৰু ৰেকৰ্ড মেইনটেইন কৰে আৰু নেফালৈ যাওঁতে তেওঁলোকৰ হিচাব ৰখা হয় এনে অৱস্থাত কিয় চৰকাৰে হিচাব ৰখা নাই বুলি কৈছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : এইটো পৰ্য্যটক বিভাগলৈ লিখা হৈছে আৰু খবৰ কৰি তেওঁলোকে জনাইছে নেফা চৰকাৰে দিয়া বুলি কৈছে।

শ্ৰীমতী তৰুলতা বৰা : শদিয়া অসমৰ ভিতৰত, কুণ্ডীল অসমৰ ভিতৰত কিন্তু অৰুণাচল চৰকাৰে কিয় তাত হিচাব লব ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি বিভিন্ন বিভাগলৈ জনাম।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী : পৰশুৰাম কুণ্ডলৈ যোৱা প্ৰশ্নটো আমাৰ গৃহমন্ত্ৰীৰ দায়িত্বত থকা মন্ত্ৰীৰ ওচৰলৈহে যাব লাগিছিল, সেইকাৰণে মই মুখ্যমন্ত্ৰী তথা গৃহমন্ত্ৰীৰ দায়িত্বত থকা মন্ত্ৰীক সুধিব বিচাৰিছো এই যে অসমৰ বাহিৰৰ আৰু ভাৰতবৰ্ষৰ বাহিৰৰ বহুতো মানুহ পৰশুৰাম-কুণ্ডলৈ স্নান কৰিবলৈ আহে, তীৰ্থ কৰিবলৈ যায়, এই যাত্ৰীসকলৰ এটা হিচাব ৰখাটো চৰকাৰে বিবেচনা নকৰেনে আৰু যদি কৰে এই যিসকল যাত্ৰী ভাৰতবৰ্ষৰ নাগৰিক নহয় সেইসকলক উলিয়াই দিবলৈ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : এই প্ৰশ্নটোৰ কাৰণে জাননী দিব লাগে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : এই যে প্ৰশ্নবিলাকৰ উত্তৰ দিয়া হয় সেইটো কোন বিভাগৰ সেইটো প্ৰধান কথা নহয় আচলতে সেইটো এটা 'কলেক্টিভ ৰেচপনচিবিলিটি'ৰ কথা। কাৰণ ইয়াৰ লগত ৰাজ্যখনৰ নিৰাপত্তা কথাটো ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। (গ) ৰ প্ৰশ্নোত্তৰত এইটো স্পষ্টভাৱে ওলাই পৰিছে এইটো কোন বিভাগৰ প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰ তেখেতে দিব নোৱাৰিলে পলিটিকেল ডিপাৰ্টমেণ্টলৈ ৰেফাৰ কৰিব লাগিছিল। তাকে নকৰি যি হিচাবটো সদনত দাখিল কৰিব লাগিছিল সেই হিচাবে দাখিল নকৰি সদনক অৱমাননা কৰিবলৈ চেষ্টা কৰিছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী)— মই আগেয়ে কৈছোঁ যে উপায়ুক্তক এই হিচাবটো ৰাখিবৰ কাৰণে কোৱা হৈছে।

শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্য— এই সম্পৰ্কত মই এটা স্পষ্টিকৰণ বিচাৰিছো

সেইটো হ'ল এই প্ৰশ্নসমূহৰ উত্তৰ দিওঁতে কোনো এটা প্ৰশ্নৰ লগত অন্যান্য বিভাগৰ প্ৰশ্নও জড়িত হৈ থাকিব পাৰে গতিকে কোনো এজন বিভাগীয় মন্ত্ৰীয়েই সেই প্ৰশ্নৰ উত্তৰ দিব লাগিব সেইটো নহয়, ইয়াত উমৈহতীয়া দায়িত্ব জড়িত হৈ থাকে। গতিকে প্ৰশ্নটো ভালকৈ চোৱা হলে দেখা পালেহেঁতেন এই প্ৰশ্নৰ উদ্দেশ্য কি? পৰশুৰামকুণ্ড মেলালৈ তীৰ্থযাত্ৰীসকল তীৰ্থ কৰিবলৈ আহে অসমৰ পৰা তথা ভাৰতবৰ্ষৰ বাহিৰৰ পৰা। তেওঁ-লোকে তিনিচুকীয়া মহকুমাৰ শদিয়াৰ ভিতৰেদি আহিব লাগে, এই শদিয়া আৰু কুণ্ডীল নগৰ অসমৰ ভিতৰতে পৰে ব্ৰহ্মপুত্ৰ পাৰ হওতে মানুহবিলাকে তেওঁলোকৰ নাম ধাম ঠিকনা ইত্যাদি লিখি দিব লগা হয় কিন্তু মন্ত্ৰী ডাঙৰীয়াই সেই ঠাইবোৰ অসমৰ বাহিৰত পৰা বুলি গা-এৰা দিব নোৱাৰে। (গ) প্ৰশ্নৰ উত্তৰত জানিবলৈ বিচৰা হৈছে বা প্ৰশ্নকৰ্ত্তাই জানিবলৈ বিচৰা নাই যে তীৰ্থযাত্ৰীসকলে তাত গৈ গা ধুলে নে নাই, দান দক্ষিণা দিলে নে নাই সেইটো প্ৰশ্ন কৰ্ত্তাৰ উদ্দেশ্য নহয়। প্ৰশ্নকৰ্ত্তাৰ প্ৰকৃত উদ্দেশ্য হ'ল সেই যিসকল মানুহ তীৰ্থ কৰিবলৈ পৰশুৰাম কুণ্ডৰ মেলালৈ আহিছিল সেই লোকসকল অসমৰ পৰা চাই শেষ কৰি গুচি গ'ল নে নাই? কাৰণ এই মানুহবিলাক অসমৰ বাহিৰৰ পৰাই নহয় ভাৰতবৰ্ষৰ বাহিৰৰ পৰা অহা মানুহ। এইটো পৰ্য্যটন বিভাগৰ পৰাই নহয় আইন বিভাগৰ পৰাও হ'ব পাৰে, মুঠৰ ওপৰত এই কথাটো সকলোৰে উমৈহতীয়া দায়িত্বত আছে হাজাৰ হাজাৰ মানুহ ইয়ালৈ আহি তাতে বসবাস কৰি ৰৈ যোৱা দেখা যায়, ৰাজ্যখনৰ নিৰাপত্তা এওঁলোকে বিপন্ন কৰি তুলিছে সেইফালৰ পৰা এইটো প্ৰয়োজন বুলি নাভাৱে নেকি? যে এই লোকসকলৰ এটা হিচাব লাগে। এই কথাটো উলাই কৰিব নোৱাৰি। গতিকে এই প্ৰশ্নটো পুনৰ বিবেচনা কৰি বিতংভাৱে তাক অনুসন্ধান কৰক, উপায়ুক্তক সুধি লাভ নাই।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী)— উপায়ুক্তই এই বিষয়ে ৰেকৰ্ড চাই আছে। All efforts being made to find out such pilgrims it stayed at Sadiya and information will be submitted soon. মাননীয় অধ্যক্ষ, When any information is to be collected from some other Departments it should be the duty of the Department concerned to refer the question to the other Department.

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ মন্ত্ৰী)—চাৰ, মই আলোচনা কৰিছিলো. উত্তৰটো আহি নাপালে। মই ফিগাৰটো পঢ়ি দিছোঁ। ৰেকৰ্ডটো আমি নাৰাখো। ৰেকৰ্ডবোৰ এতিয়া চাই থকা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা—অৰুণাচলৰ দক্ষিণ ফালৰ পৰা অহা যোৱা কৰাত বাধা আছে কিন্তু উত্তৰৰ ফালৰ পৰা অহা যোৱাৰ কাৰণে কোনো বাধা নাই। গতিকে এই পৰশুৰাম কুণ্ড মেলাৰ সময়ত চীন, তিব্বত ইত্যাদি ঠাইৰ পৰা উত্তৰৰ ফালেদি বহুতো মানুহ তীৰ্থযাত্ৰী হিচাপে সেই ঠাইলৈ আহে আৰু তাত স্থায়ীভাৱে বসবাস কৰিবলৈ লৈছে ফলত ভাৰতৰ উত্তৰ পূৰ্ব অঞ্চলত নিৰাপত্তা বিপন্ন কৰি তুলিছে, সেই বিষয়ে চৰকাৰৰ অবগতি হোৱা নাই নে? মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা মই ইয়াৰ উত্তৰ বিচাৰিছোঁ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)— এইটো বেলেগ প্ৰশ্ন, ইয়াৰ বাবে বেলেগ জাননী দিব লাগে।

বিঃ অসম পৰিবহন নিগমৰ অচল বাছ

শ্ৰীকেঁহোৰাম হাজৰিকাই সুধিছে :

*৬৪৭। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম পৰিবহন নিগমৰ নগাওঁ চেণ্ট্ৰিকেটত কিমানখন বাছ অচল হৈ পৰি আছে?

(খ) এই বাছসমূহ কি কাৰণত অচল হৈ পৰি আছে চৰকাৰে কেতিয়াবা তদন্ত কৰিছেনে?

(গ) যদি কৰিছে, তেন্তে কেতিয়া কোনে তদন্ত কৰিছে আৰু তদন্তৰ ফল কি চৰকাৰে অনুগ্ৰহ কৰি জনাবনে?

(ঘ) বাছবিলাক অচল হৈ পৰি থকাত যাত্ৰীসকল নানা অসুবিধাৰ সন্মুখীন হোৱাৰ কথা চৰকাৰে জানেনে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬৪৭। (ক)—বৰ্ত্তমান অচল হৈ পৰি থকা বাছৰ সংখ্যা ৬ খন।

(খ)—পথ পৰিবহন নিগমৰ তৰফৰ পৰা গাড়ীসমূহ অচল হৈ পৰাৰ বিষয়ে তদন্ত কৰা হৈছে।

(গ)—যোৰহাটত থকা পথ পৰিবহন নিগমৰ সংমণ্ডল অভিযন্তাই

২০।৫।৭৩ ইং আৰু ৭.৬।-৩ ইং তাৰিখে এই বিষয়ে তদন্ত কৰি গাড়ী-সমূহ চলোৱাৰ উপযোগী কৰিবৰ বাবে ব্যৱস্থা হাতত লৈছে। অচল হৈ পৰি থকা বেছি ভাগ গাড়ী ইতিমধ্যে মেৰামতি কৰি পথত দিয়া হৈছে। উল্লেখ কৰিব পাৰি যে কেবাখনো গাড়ী টায়াৰৰ অভাৱত অচল হৈ আছিল, বৰ্ত্তমান এইবোৰ গাড়ীৰ টায়াৰ যোগান ধৰা হৈছে আৰু পথত চলিবৰ উপযুক্ত হৈছে।

(ঘ)—নগাওঁৰ পৰা বিভিন্ন ঠাইলৈ যোৱা চাৰ্ভিচবোৰ নিয়মীয়াকৈ চলাই থকা হৈছে। নগাওঁৰ পৰা অহা যোৱা কৰা যাত্ৰীৰ যাতে অসুবিধা নহয় তাৰ বাবে যত্ন লোৱা হৈছে। প্ৰযোজন অনুসৰি বিশেষ বাছ ( Special Bus ) দিয়া হৈছে। নগাওঁৰ পৰা গুৱাহাটীলৈ এখন অতিৰিক্ত বাছ দিয়াৰ কথা নিগমৰ বিবেচনাধীন।

শ্ৰীকেহোৰাম হাজৰীকা : মাননীয় অধ্যক্ষ মহোদয়, এই যে, ছখন বাছ বেয়া হৈ পৰি থকাৰ কথা আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে কৈছে এই বাছ কেইখন কেতিয়াৰ পৰা এনেকৈ বেয়া হৈ পৰি আছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই এইটো চাইছোঁ, এখন বেয়া হৈ পৰি আছে ৬।৬।৭২, এখন ৬।৯।৭২, এখন ৬।৫।৭২ এখন ২২।২।৭৩, এখন ১২।৪।৭৩ আৰু এখন ২।১০।৭২।

শ্ৰীকেহোৰাম হাজৰীকা— মাননীয় অধ্যক্ষ মহোদয়, এই বাছবিলাক বেয়া হৈ পৰি থকাৰ ফলত বহুত সময়ত আমাৰ বহুতো যাত্ৰী বাছ-চেণ্ডিকেটলৈ আহি ফিৰি যাবলগীয়া হয় আৰু এইদৰেই ভীষণ অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। এই অসুবিধাবোৰ দূৰ কৰিবলৈ অতিৰিক্ত বাছ দিয়াৰ কথা মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব বিচাৰিছোঁ যে, এই গাড়ীবিলাক বেয়া হৈ থকাৰ ফলত যাত্ৰীসকল বহুত সময়ত উভতি যাবলগীয়া হোৱাৰ কাৰণে যিবিলাক অসুবিধাৰ সন্মুখীন হব লগা হৈছে সেই অসুবিধাবিলাক দূৰীকৰণ কৰিবলৈকে এই বেয়া হৈ থকা বাছ বিলাক ততাতৈয়াকৈ মেৰামতি কৰাৰ কথা আমাৰ চৰকাৰে বিবেচনা কৰিব নে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ

মতে প্ৰয়োজনীয় গাড়ী ২৬ খন এই লাইনত আছে তাৰ ভিতৰত ২০ খন ইতিমধ্যে চলিয়েই আছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, এই গাড়ীবোৰ টাটা, বেডফৰ্ড নে লিলেন গাড়ী ? আমি জনাত বেডফৰ্ড গাড়ী বিলাকেই আটাইতকৈ বেয়া গাড়ী, এই ৰাস্তা বিলাকত চলাৰ উপযোগী নহয়। কিন্তু তথাপিও এই বেডফৰ্ড গাড়ীকেই আনিবৰ কাৰণে পুনৰ অৰ্ডাৰ দিয়া কথাটো সঁচানে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : এইবোৰ কি গাড়ী সেইটো মই কব নোৱাৰো কিয়নো তাৰ নম্বৰহে থাকে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, সাধাৰণতে কি বাছ ব্যৱহাৰ কৰা হয় ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে বেডফৰ্ড, টাটা আৰু লিলেন এই আটাইকেইবিধ গাড়ীকে ব্যৱহাৰ কৰা হয়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, এই কেইবিধ গাড়ীৰ ভিতৰত বেডফৰ্ড গাড়ীয়েই আটাইতকৈ বেয়া আৰু বেডফৰ্ড গাড়ীকে বেছিকৈ কিনাৰ কাৰণেই বাছবিলাক অচল হৈ পৰি আছে এই কথাটো চৰকাৰে জানেনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বেয়া হৈ থকা গাড়ী বিলাকৰ ভিতৰত অকল বেডফৰ্ডেই আছে বুলি মই কব নোৱাৰোঁ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—অধ্যক্ষ মহোদয়, বেডফৰ্ড গাড়ীবিলাক আমাৰ ৰাজ্যৰ উপযোগী নহয় বুলি আমাৰ চৰকাৰে নেভাবেনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, কি গাড়ী ক'ত চলিব সেইধৰণৰ যোগ্যতা অনুপাতেহে কিনা হয়। এই ধৰণৰ গাড়ী বিলাক তাত চলিব বুলি কোৱাৰ পিছতহে এই গাড়ীবিলাক অনা হয়।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া—মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক গাড়ী অচল হৈ পৰি আছিল এইবিলাক টায়াৰৰ অভাৱৰ কাৰণে নে অন্য

কিবা যান্ত্ৰিক বিজুটিৰ কাৰণেহে এই গাড়ীবিলাক অচল হৈ আছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ পাঁচখন গাড়ী যান্ত্ৰিক বিজুটিৰ কাৰণে আৰু এখন গাড়ী ডিচপজেলৰ কাৰণে দিয়া হৈছে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : অধ্যক্ষ মহোদয়, এই বেয়া হোৱা গাড়ী-বিলাক মেৰামতি কৰাৰ কাৰণে চেণ্ট্ৰেল ষ্টৰত যায় নেকি আৰু তাত প্ৰয়োজনীয় বস্তুপাতি আদি আছে নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সেইটো কব নোৱাৰো কিন্তু এই গাড়ীবিলাকৰ কি বিজুটি সেইবিলাক পৰীক্ষ-নিৰীক্ষা আদি কৰি থকা হৈছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, বেয়া হোৱা বাছ কেইখন কিমানদিনৰ পৰাই তাত পৰি আছিল ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সেই কথাটো ইতিমধ্যে কৈছোঁয়েই।

শ্ৰীকেহোৰাম হাজৰীকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যি বিকল্প ব্যৱস্থা কৰাৰ কথা কৈছে সেই বিকল্প ব্যৱস্থাত কেই-খন গাড়ী ধৰা হৈছে ?

শ্ৰহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তাত কিছুমান গাড়ী আছেই তাৰ ভিতৰত ২০ খন গাড়ী চলিয়েই আছে। তাত কিছু-মান চাট-ডাউন কৰা গাড়ীও আছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, এই চাট ডাউনটো বৃদ্ধি হোৱাৰ কাৰণটো কি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, কাৰণটো চোৱা হৈয়ে আছে।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড : অধ্যক্ষ মহোদয়, ইঞ্জিনবিলাক বেয়া হৈ থকা এইটো এটা সিমান শুদ্ধ কথা হোৱা নাই। কিয়নো কেতিয়াবা ইঞ্জিনৰ কিবা দোষ হোৱা বেলেগ কথা। কিন্তু সাধাৰণ সৰু সৰু যান্ত্ৰিক বিজুটিৰ কাৰণেই এই গাড়ীবিলাক পেলাই থোৱা হয় আৰু পিছত লাহে লাহে সেই গাড়ীবিলাকৰ পৰা অংশবোৰ আঁতৰাই আঁতৰাই লৈ যোৱা হয়।

এইদৰেই শেষত গাড়ীৰ অস্তিত্বই নোহোৱা হয়গৈ।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : সেইটো হয়নে নহয় সেইটো কোৱা টান। কি কাৰণত এই গাড়ীবিলাক বেয়া হৈ থাকে সেই কথাটো অনুসন্ধান কৰি চাবলৈ দিয়া হৈছে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : অধ্যক্ষ মহোদয়, আমি জনাত চেণ্ট্ৰেল ষ্টৰত প্ৰায় ২০.২৫ লাখ মান টকাৰ যন্ত্ৰপাতি আছে যদিও তাত ইঞ্জিনৰ প্ৰয়োজনীয় কোনো আহিলা-পাতি হ'লে নাই। এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জানেনে। যদি জানে তেনেহ'লে, এই বস্তুবিলাক তাত কিয় ৰখা হৈছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : অধ্যক্ষ মহোদয়, এইটো এটা নতুন প্ৰশ্ন।

## বি: চৰকাৰী চিকিৎসালয়

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়াই সুধিছে :

*৬৪৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ গাৱঁলীয়া অঞ্চলত কিমান চৰকাৰী চিকিৎসালয় আছে।

(খ) উক্ত চৰকাৰী চিকিৎসালয় বিলাকৰ কিমানবোৰত চিকিৎসক আছে আৰু কিমানবোৰত নাই ?

(গ) কি কি শ্ৰেণীৰ কিমান চিকিৎসক আছে ?

(ঘ) চিকিৎসক নোহোৱা চিকিৎসালয়বোৰত চিকিৎসক নিযুক্তি দিয়াৰ কি বন্দোবস্ত কৰিছে ?

শ্ৰীছত্ৰসিং টেৰণ (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬৪৮। (ক)—অসমৰ গাৱঁলীয়া অঞ্চলত সৰ্বমুঠ ৫২১ খন চৰকাৰী চিকিৎসালয় আছে।

(খ)—গাৱঁলীয়া অঞ্চলৰ ৪৮৩ খন চিকিৎসালয়ত চিকিৎসক আছে আৰু ৩৮ খনত চিকিৎসক নাই।

(গ)—৪৮৩ জন চিকিৎসকৰ ভিতৰত ৩৯৮জন প্ৰথম শ্ৰেণীৰ সহকাৰী শল্য চিকিৎসক আৰু ৮৫ জন দ্বিতীয় শ্ৰেণীৰ সহকাৰী শল্য চিকিৎসক আছে।

(ঘ)—৩৮ খন চিকিৎসক নোহোৱা গাৱঁলীয়া অঞ্চলৰ চৰকাৰী

চিকিৎসালয়ৰ ২৬ খনত ইতিমধ্যে প্ৰথম শ্ৰেণীৰ সহকাৰী শল্য চিকিৎসক দিয়া হৈছে। এই ২৬ জন চিকিৎসকৰ যোগদানৰ ৰিপোৰ্ট এতিয়াও পোৱা নাই। বাকী ১২ খনত চিকিৎসক দিয়াৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে।

Mr. Speaker : The question hour is over. Supplementaries on Starred question No. 648 will be put tomorrow.

Now short notice question.

## ASSAM LEGISLATIVE ASSEMBLY

## SHORT NOTICE QUESTION AND ANSWERS

Date 18th July, 1973

Re : Encroachment of Assam State Territory

Shri Lakshya Nath Doley asked :

15. Will the Chief Minister be pleased to state—

(a) Whether Government is aware that the Government of Arunachal have been in encroachment of about 5 K. M. deep into Assam State Territory near Jonai of Dhemaji Sub-division, since some years back by constructing some office buildings and setting up a Check-Post on the Jonai-Pasighat C. P. W. D. Road ?

(b) If so, what action the Government have taken to remove the encroachment.

(c) Whether the Government is aware that the people of Assam have been subjected to great harassment at the Check-post illegally set up by the Arunachal Government ?

(d) If so, why the Government have not so long remo-

ved the Check-Post to save the people from unnecessary harassment ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

15. (a)—Yes, about six to seven years ago erstwhile N. E. F. A. now Arunachal Pradesh Authorities had constructed a Health Centre and residential quarters of Forest Officers at village Talem some 800 ft. North of the Railway line. One Check Gate manned by C.R.P. was found to have been erected by Arunachal Government at Ruksin within Jonai Police-Station area of Assam on the Jonai-Pasighat P. W. D. Road.

(b)—Action is being taken to start encroachment cases against these encroachments.

(c) and (d) According to reports received by the Government only one instance of refusal of entry of people at this Check-Gate was reported to the E. A. C., Jonai. This matter has been taken up with Arunachal authorities for removal of this Check-Gate and other unauthorised constructions within areas of Assam.

শ্ৰীলক্ষ্যনাথ দলে—অধ্যক্ষ মহোদয়, অসমৰ সীমান্তৰ ভিতৰত অৰুণাচল চৰকাৰৰ চেক পষ্টটো কিয় ৰাখিছে ? এই চেক পষ্টটোৱে আমাৰ অসমৰ মানুহ ইফালে সিফালে অহাযোৱা কৰাত বাধা দিছে আৰু বহুতো জুলুম কৰিছে- এই বিষয়ে চৰকাৰে কি বিহিত ব্যৱস্থা লৈছে সদনত জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—অধ্যক্ষ মহোদয়, মই কৈছোঁৱেই যে এই বিষয়ে অৰুণাচল চৰকাৰৰ অথৰিটিৰ লগত আলোচনা কৰি আছোঁ ।

শ্ৰীলক্ষ্যনাথ দলে—অধ্যক্ষ মহোদয়, ৭ বছৰৰ আগতে এইটো এনক্ৰচমেণ্ট কৰা বুলি মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে । কিন্তু এই ৭ বছৰৰ ভিতৰত অসম চৰকাৰে এই বিষয়ে কি কি কাম কৰি আছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—অধ্যক্ষ মহোদয়, কথাটো এতিয়াহে নটিচলৈ আহিছো।

শ্ৰীৰমেশ মোহন কুলি—মই জানিব বিচাৰিছো যে অৰুণাচল চৰকাৰে এই চেক-পষ্টটো তেওঁলোকৰ সীমাৰ ভিতৰত বান্ধি লৈছে নে অসমৰ সীমাৰ

ভিতৰত বান্ধিছে, আৰু অসম চৰকাৰে কেতিয়াৰ পৰা যোগাযোগ কৰি আহিছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এই কথাটো বিবেচনাধীন হৈ আছে আৰু কোন তাৰিখৰ পৰা যোগাযোগ কৰিছে সেই তাৰিখটো মোৰ মনত নাই।

শ্ৰীৰমেশ মোহন কুলি—অসমৰ সীমান্তৰ ভিতৰত অৰুণাচল চৰকাৰে অফিচ, বিল্ডিং সজোৱা কথাটো চৰকাৰে স্বীকাৰ কৰিছেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—১৯৫১ চনৰ নটিফিকেচন মতে অসম আৰু অৰুণাচলৰ সীমা নিৰ্দ্ধাৰণ হৈছিল। গতিকে সীমাৰ ক্ষেত্ৰত কিছু বিসম্বাদ আছে।

শ্ৰীলীলাকান্ত দাস—মন্ত্ৰী মহোদয়ে জনাবনে যে সোৱণশিৰি আৰু চিয়াং সীমান্ত অঞ্চলত অসমৰ সীমাৰ ভিতৰত অৰুণাচল চৰকাৰে চৰকাৰীভাৱে ঘৰদুৱাৰ নিৰ্ম্মাণ কৰিছে। এইদৰে যদি বে-দখল চলি থাকে তেতিয়াহ'লে আমাৰ দেশৰ নিৰাপত্তা ভৱিষ্যতে থাকিব নে ? এই বিষয়ে চৰকাৰে বিহিত ব্যৱস্থা হাতত লবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—অধ্যক্ষ মহোদয়, মই কৈছোঁৱেই যে ১৯৫১ চনৰ যিটো নটিফিকেচন, সেইমতে সীমা ঠিক হৈছে বাবেই অলপ বিসম্বাদ হৈছে আৰু সেই-কাৰণেই এই কথাবিলাক ইয়াত উত্থাপিত হৈছে। এইবিষয়ে অৰুণাচল চৰকাৰৰ বিষয়া সকলৰ লগত আমাৰ বিষয়াসকলৰ আলোচনা হৈ আছে। প্ৰথমতে আসাম চাৰ্ভে বিভাগে ইয়াত চাৰ্ভে কৰিছিল। শেষত অৰুণাচল চৰকাৰৰ আপত্তি হোৱাত ইণ্ডিয়া চাৰ্ভে পাৰ্টিয়ে ইয়াত কাম কৰে আৰু এইটো কিমান সোনকালে শেষ কৰিব পাৰি তাৰ বাবে চেষ্টা কৰি আছো।

Shri Premodhar Bora : Sir, the Chief Minister has come up with a reply that the Government of Assam has taken up the matter with the Arunachal Government. But the Government of Assam is sleeping over the matter. While we say that we are taking up the matter with the Arunachal Government they are erecting houses, this and that. If our Government has taken up the matter with the Arunachal Government how is it possible for them to erect buildings etc ? Does it mean that whatever we are doing is only remaining in papers ? Will the Chief Minister apprise the House what

actions are being taken so that further construction can be stopped ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : এই বিষয়ে যোগাযোগ চলি আছে।

( Before Smti Tarulata Bora could complete her question, Shri Syed Ahmed Ali, Minister said. )

Syed Ahmed Ali ( Minister ) : Mr. Speaker, Sir, if I may intervene. The Hon'ble Minister, Veterinary is feeling sick and uneasy. He may be allowed to leave the House.

(Shri J. B. Hagjer, Minister felt sick and was lifted and carried out of the Chamber by the Marshal, one of the Chamber attendents, Shri Premodhar Bora, Shri Md. Idris and Shri Syed Ahmed Ali, Minister.)

Shri Dulal Chandra Barua : Mr. Speaker, Sir, you know under what conditions we are working here. When we go outside the House we feel better but as soon as we enter the Chamber we feel as if we have entered into a furnace. You have also seen how one Hon'ble Minister have fallen sick as a result of excessive heat inside the Chamber. This calls for immediate airconditioning of the House. Will you kindly look into it.

শ্ৰীমতী তৰুলতা বৰা : অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ শদিয়া অঞ্চলৰ সোণাপুৰ শান্তিপুৰত দুটা চেক-গেট বনাইছে, এইটো মুখ্য মন্ত্ৰী ডাঙৰীয়াই জানেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ : এই গোটেই কথাকেই অসম চৰকাৰে বিবেচনা কৰি আছে।

শ্ৰীলীলাকান্ত দাস : অধ্যক্ষ মহোদয়, ১৯৫১ চনত যি সীমা নিৰ্দ্ধাৰণ কৰা হৈছিল সেই সীমা নিৰ্দ্ধাৰণ অৰুণাচল চৰকাৰে মানি লৈছে আৰু আমিও মানি লৈছোঁ। কিন্তু অৰুণাচলৰ অধীনস্থ চৰকাৰী কৰ্ম্মচাৰীয়ে এই নীতিক অন্যায় বুলি কৈছে। গতিকে অসম চৰকাৰে অৰুণাচল চৰকাৰক এই বিষয়ে বিশেষ সতৰ্ক কৰি দিব নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : সতৰ্ক কৰাৰ কথা নহয়। কিন্তু এই বিষয়ে তেওঁলোকৰ লগত আলোচনা কৰি আছোঁ।

শ্ৰীচন্দ্ৰ বাহাদুৰ চেত্ৰী :— অধ্যক্ষ মহোদয়, টিৰাপ আৰু নামচাই অঞ্চলৰ প্ৰায় ২০ বৰ্গমাইল মান মাটি অৰুণাচলে নিজৰ কৰি ৰখাটো চৰকাৰে জানে নে ? যদি জানে এই মাটিখিনি ঘুৰাই অনাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : চাৰ, প্ৰশ্ন এৰকেটাই, মাত্ৰ ঘূৰাই ঘূৰাই কৰা হৈছে। এই গোটেইখিনি কথা যাতে এনে হৈ নাথাকে তাক মীমাংসা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছোঁ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে, ১৯৫১ চনতে নোটিফিকেচন হৈছে আৰু অৰুণাচল চৰকাৰে কোনো ধৰণৰ আপত্তি কৰা নাই। যদি আপত্তি কৰাই নাই আৰু ১৯৫১ চনৰ সীমা নিৰ্দ্ধাৰণকে মানি লৈছে তেনেহলে আমাৰ সীমাৰ ভিতৰত ঘৰ সাজি থকাৰ কি কাৰণ থাকিব পাৰে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ : আমি খবৰ পোৱা মতে ঘৰ সজা নাই।

Mr. Speaker : Next item ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—চাৰ, অন্য এটা বিষয়লৈ যোৱাৰ আগতে আপোনাৰ অনুমোদন সাপেক্ষে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব খুজিছোঁ। যদিও বিষয়টো আমাৰ চৰকাৰৰ নহয় কেন্দ্ৰীয় চৰকাৰৰ তথাপি এই বিষয়টো চৰকাৰ তথা অসমৰ জনসাধাৰণৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। বিষয়টো হৈছে আজিৰ পৰা আমাৰ আকাশবানী গুৱাহাটীৰ যিসকল ষ্টাফ, আৰ্টিষ্ট, তেওঁলোকে ধৰ্ম্মঘট কৰিছে। আজি আকাশবানী কেন্দ্ৰ অচল হৈ পৰিছে। তেওঁলোকৰ যিবিলাক দাবী, যিবিলাক জনসাধাৰণৰ লগতো সম্পৰ্ক আছে। এই ৰেডিও চেণ্টাৰটো ইমান বেয়া যে তাত কোনো মানুহে কাম কৰিব নোৱাৰে। বাৰাম্বাৰ কেন্দ্ৰীয় চৰকাৰক এই সম্পৰ্কে জনোৱা স্বত্বেও কোনো ধৰণৰ ব্যৱস্থা নললে। ফলত আজি তেওঁলোকে এই ধৰ্ম্মঘট কৰিবলগীয়া হৈছে। এই ধৰ্ম্মঘটৰ ফলত আমাৰ বিধান সভাৰ যিবিলাক খবৰ পৰিৱেশন কৰা হয়, জনসাধাৰণৰ মাজত যিটো প্ৰচাৰৰ মাধ্যম সেইটো বন্ধ হৈ পৰিছে। এই ক্ষেত্ৰত মই মুখ্যমন্ত্ৰীক আপোনাৰ জৰিয়তে

অনুৰোধ কৰিছোঁ যেন অতি সোনকালে েখেতে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা-যোগ কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰে। আৰু এই অনুস্থানটিক সকলো ফালৰ পৰা সা-সুবিধা দি এই অঞ্চলৰ ৰাইজৰ একমাত্ৰ অনুস্থানটিক উন্নত কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত শীঘ্ৰে যোগাযোগ কৰাৰ ব্যৱস্থা কৰিব।

[ ১১-১৪ মিনিটত উপাধ্যক্ষই আসন গ্ৰহণ কৰে ]

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী : মাননীয় উপাধ্যক্ষ মহোদয়, আকাশ-বানী বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ অধীনত যদিও এই বিধান সভা বা চৰকাৰে কিবা এটা নকৰিলে অন্যায় কৰা হব। কাৰণ বিষয়টো প্ৰত্যক্ষ ভাৱে নহলেও পৰোক্ষভাৱে বিধান সভাৰ লগত জড়িত আছে। কাৰণ বিধান সভাৰ সকলো বিলাক খা-খবৰ ৰাইজৰ মাজত দাঙি ধৰা এক বাহন হ'ল এই আকাশবানী কেন্দ্ৰ। আকাশবানীয়ে এই কাম নকৰিলে কোনো অনুস্থানে এই কাম কৰিব নোৱাৰে। আজি ৰাতিপুৱাৰ পৰা এই ষ্টাফ আৰ্টিষ্ট সকলে ধৰ্ম্মঘট কৰাৰ ফলত কি ঘটনা ঘটিছে তালৈ দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ। ৰাতিপুৱা আঞ্চলিক বাতৰি কোৱাৰ সময়ত সাধাৰণতে ঘোষকজনে নিজৰ নাম আগতে প্ৰকাশ কৰি লয় যে তেওঁলোকৰ ওপৰত চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাই। কিন্তু আজি ৰাতিপুৱাৰ বেলিকা বাতৰি দিওঁতে ঘোষকজনে তেওঁৰ নাম প্ৰকাশ কৰা নাই।

উপাধ্যক্ষ মহোদয়, অসম দেশৰ সকলো অনুস্থানৰ কাৰণেই ৰাইজে আন্দোলন কৰিব লাগে। আজি ১২/১৪ বছৰ ধৰি এই কেন্দ্ৰটো তাত আছে। আজি অতদিনে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত তেওঁলোকৰ অভিযোগৰ বিষয়ে জনাই থকা স্বত্বেও কেন্দ্ৰীয় চৰকাৰে কোনো ব্যৱস্থা কৰা নাই যাৰ হৈ ষ্টাফ আৰ্টিষ্ট সকলে ধৰ্ম্মঘট কৰিবলগীয়া হৈছে। ভাৰতবৰ্ষৰ ভিতৰত কোনো এটা আকাশ-বানী কেন্দ্ৰই এয়াৰকুলাৰ নোহোৱাকৈ নাই। একমাত্ৰ এই গুৱাহাটী কেন্দ্ৰতে এয়াৰকুলাৰৰ ব্যৱস্থা নাই। আনকি এই কেন্দ্ৰটোত ষ্টাফ আৰ্টিষ্টসকলৰ কাৰণে কোনো বাথৰূম, পানীৰ ভাল ব্যৱস্থা নাই যাৰ কাৰণে তেওঁলোকে আজি ধৰ্ম্মঘট কৰিবলগীয়া হৈছে। গতিকে মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰীক অনুৰোধ কৰোঁ যাতে অনতিপলমে তেওঁলোকৰ এই অভিযোগবিলাক দূৰীকৰণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰে।

[ মাননীয় সদস্য শ্ৰীপ্ৰেম বৰাই কবলৈ উঠে, কিন্তু উপাধ্যক্ষই কবলৈ নিদিয়ে। ]

Shri Syed Ahmed Ali (Minister) : Sir, some Hon'ble members have already spoken on this.

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ উপাধ্যক্ষ মহোদয় এই বিষয়টো অসম চৰকাৰৰ অন্তৰ্গত নহয়। সেইকাৰণে এই বিষয়টো ইয়াত আলোচনা কৰিলে নতুন পৰিস্থিতিৰ সৃষ্টি কৰিব। সেইকাৰণে মোৰ বিশ্বাস কেন্দ্ৰীয় চৰকাৰৰ এই বিষয়টো নিশ্চয় কেন্দ্ৰীয় চৰকাৰৰ অৱগত আছে, আৰু সেইমতে ব্যৱস্থা গ্ৰহণ কৰিব।

Mr. Deputy Speaker : I cannot allow the discussion because it is not in the agenda.

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : আমি আলোচনা কৰিবলৈ লোৱা নাই কিন্তু আপোনাৰ অনুমোদন সাপেক্ষে আমাৰ চৰকাৰ তথা বিধান সভাৰ পক্ষৰ এই বিষয়টো আমাৰ নহ'লেও কিবা বিবেচনা কৰিবলৈ থাকিব পাৰে সেইকাৰণে কথাটো মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিছো। অইল ৰিফাইনাৰীও আমাৰ নহয় কিন্তু আমি তাক আন্দোলন কৰি লৈছোঁ। অৱশ্যে আমি মেনেজমেণ্ট নকৰিব পাৰোঁ। এফ. ছি আইও আমাৰ কৰ্তৃত্বৰ বস্তু নহয় কিন্তু তাতো আজি আমি হস্তক্ষেপ কৰি আলোচনা কৰিছো। সেইকাৰণে মই মুখ্যমন্ত্ৰীক আপোনাৰ যোগেদি অনুৰোধ কৰিব বিচাৰিছোঁ এই আকাশবানী কেন্দ্ৰটোৱে আমাৰ মাজত যি ৰোল প্লে' কৰি আছে তালৈ লক্ষ্য কৰি তেওঁলোকৰ অভাৱ-অভিযোগবিলাক পূৰণ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিব।

## Undisposed starred questions of 18th July, 1973

### বিঃ প্ৰকাশন পৰিষদ

শ্ৰীৰামচন্দ্ৰ শৰ্ম্মাই সুধিছে ঃ

*৬৪৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত প্ৰকাশন পৰিষদ কোন চনত গঠিত হয় আৰু ইয়াৰ সচিব কোন ?

(খ) প্ৰকাশন পৰিষদে কি কি বিশেষ কাম হাতত লৈছিল আৰু সেই সেই কামত কিমান দূৰ আগবাঢ়িছে ?

(গ) অসম প্ৰকাশন পৰিষদৰ মুঠ কৰ্ম্মচাৰী কেইজন আৰু কেইখন উপ-সমিতি গঠন কৰা হৈছে ?

(ঘ) দৰমহা আৰু বিভিন্ন বিষয়ত বছৰে মুঠ কিমান টকা খৰছ হয় ?

(ঙ) অসম প্ৰকাশন পৰিষদ গঠন হোৱাৰ পৰা এই পৰিষদৰ জৰিয়তে কিমান টকা লাভ হৈছে ?

(চ) যদি হোৱা নাই তাৰ কাৰণ কি ?

(ছ) চৰকাৰে এটি তদন্ত কমিটি গঠন কৰি ইয়াৰ আচল দোষ ত্ৰুটিবোৰ দূৰ কৰাৰ চেষ্টা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৬৪৯। (ক)—অসম প্ৰকাশন পৰিষদ ১৯৫৮ চনত স্থাপিত হয। আৰম্ভণীৰে পৰা ১৯৬৭ চনৰ জানুৱাৰী মাহলৈকে শ্ৰীবিশ্ব নাৰায়ণ শাস্ত্ৰী ইয়াৰ সচিব আছিল। তেখেতৰ পিচত ১৯৬৭ চনৰ এপ্ৰিল মাহৰ পৰাই শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া সচিব হৈ আছে।

(খ)—ইয়াৰ এটি সম্পূৰ্ণ বিৱৰণ সদনৰ মজিয়াত ৰখা হৈছে।

(গ)—পৰিষদৰ কৰ্ম্মচাৰীৰ মুঠ সংখ্যা ২১ জন। এই পৰিষদৰ উপ-সমিতি সমূহৰ তালিকা এখন সদনৰ মেজত ৰখা হৈছে।

(ঘ)—১৯৭২-৭৩ চনত কৰ্ম্মচাৰীৰ দৰমহাৰ শিতানত খৰচ হয় মুঠ ৫৫,০৩৪/৫৯ টকা আৰু সেই সময়ছোৱাত পৰিষদৰ সৰ্ব্বমুঠ খৰছ হ'ল ৩,৫৮,২৯০/৯৯ টকা।

(ঙ) আৰু (চ)—ব্যৱসায়ীক ভিত্তিত লাভ কৰা এই অনুষ্ঠানৰ উদ্দেশ্য নহয়। ই এটা সাংস্কৃতিক অনুষ্ঠান। আপুৰুগীয়া গ্ৰন্থৰাজি প্ৰকাশ কৰি সুলভ মূল্যত ৰাইজক পঢ়িবলৈ সুযোগ দিয়াই এই অনুষ্ঠানৰ মুখ্য উদ্দেশ্য।

(ছ)—এই পৰিষদৰ দোষ ত্ৰুটি কিছুমানৰ অভিযোগ চৰকাৰৰ হাতত পৰাত ইতিমধ্যে শিক্ষা বিভাগৰ উপসচিবক এই সম্পৰ্কে তদন্ত কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

বিঃ কাৰাগাৰ আৰু কয়েদি

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে ঃ

*৬৫০। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

(ক) অসমত মুঠ কেইখন কাৰাগাৰ আছে আৰু এই কাৰাগাৰসমূহত মুঠ কিমান কয়েদিক কাৰাৰুদ্ধ কৰি ৰাখিব পাৰি ?

(খ) এই কাৰাগাৰ সমূহত কৃষিপাম চলোৱাৰ ব্যৱস্থা আছে নেকি আৰু যদি আছে তাৰ উৎপাদনবোৰ কি কৰা হয় ?

(গ) এই কাৰাগাৰ সমূহত উদ্যোগ চলোৱাৰ ব্যৱস্থা আছে নেকি আৰু যদি আছে কি কি উদ্যোগ চলোৱা হয় আৰু ক'ত ক'ত চলোৱা হয় ?

(ঘ) এই কাৰাগাৰ সমূহত উৎপাদিত কৃষিজাত বস্তু আৰু শিল্পজাত বস্তুবোৰৰ উপৰঞ্চি অংশ ক'ত কি ধৰণে কাৰ দ্বাৰা বিক্ৰী কৰা হয় আৰু লাভাংশ কি কৰা হয় ?

(ঙ) এই ধৰণে হোৱা আয় ব্যয়ৰ পাঁচবছৰীয়া হিচাব এটা সদনৰ মেজত ৰাখিবনে ?

শ্ৰীজয়ভদ্ৰ হাগজেৰ ( কাৰাগাৰ বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে ঃ

৬৫০। (ক)—অসমত মুঠতে ১৪ খন জিলা কাৰাগাৰ, এখন বিশেষ কাৰাগাৰ, ২ খন লক আপ আৰু কয়েদিবোৰক মুক্তভাবে নিয়োগ কৰিব পৰা ১ খন কৃষি পাম আছে। এই কাৰাগাৰ সমূহত ৪৯১১ জন কয়েদিক কাৰাৰুদ্ধ কৰিব পৰা ব্যৱস্থা আছে ।

(খ)—কাৰাগাৰ সমূহত কম বেছি পৰিমাণে কৃষিকাৰ্য্য কৰা হয় । তাৰ ভিতৰত যোৰহাট কাৰাগাৰৰ কাষতে বেলেগ এখন পূৰ্ণ পৰ্য্যায়ৰ মুকলি কৃষিপাম আছে । ইয়াৰ পৰা উৎপাদিত বস্তুবোৰ অসম জেইল মেনুৱেলত থকা ব্যৱস্থানুযায়ী জেইলত ব্যৱহাৰ কৰা হয়, আৰু কোনো ক্ষেত্ৰত যদি ওপৰঞ্চি থাকে সেইবোৰ বিক্ৰি কৰা হয় ।

(গ)—তলত দিয়া মতে কাৰাগাৰ সমূহত উদ্যোগ চলোৱা ব্যৱস্থা আছে ঃ

| কাৰাগাৰ | উদ্যোগ |
|---|---|
| ১। জিলা কাৰাগাৰ, যোৰহাট | (১) বাঁহবেতৰ কাম । |
| | (২) কমাৰশাল । |

| কাৰাগাৰ | উদ্যোগ |
|---|---|
| ২। জিলা কাৰাগাৰ, উত্তৰ লক্ষীমপুৰ | (১) বাঁহ বেতৰ কাম। |
| ৩। জিলা কাৰাগাৰ, তেজপুৰ | (১) বোৱা কটা। |
| | (২) চিলাই। |
| | (৩) কাঠৰ কাম। |
| | (৪) বাঁহ বেতৰ কাম। |
| | (৫) কমাৰশাল। |
| ৪। জিলা কাৰাগাৰ, নগাওঁ | (১) বাঁহ বেতৰ কাম। |
| | (২) সূতা কটা। |
| ৫। জিলা কাৰাগাৰ, শিলচৰ | (১) বাঁহ বেতৰ কাম। |
| | (২) সূতা কটা। |
| ৬। জিলা কাৰাগাৰ, গুৱাহাটী | (১) কমাৰশাল। |
| | (২) বাঁহ বেতৰ কাম। |
| | (৩) সূতা কটা। |
| | (৪) তেল পেৰা। |
| | (৫) কাঠৰ কাম। |
| | (৬) চিলাই। |
| ৭। জিলা কাৰাগাৰ, গোৱালপাৰা | (১) বাঁহ বেতৰ কাম। |
| | (২) সূতা কটা। |
| ৮। জিলা কাৰাগাৰ, ডিব্ৰুগড় | (১) বাঁহ বেতৰ কাম। |
| | (২) চাবোন আৰু ফেনাইল। |
| | (৩) কাঠৰ কাম। |
| | (৪) সূতাকটা। |
| ৯। জেইল ইন্দাষ্ট্ৰীজ, যোৰহাট | (১) বাঁহ বেতৰ কাম। |
| | (২) কাঠৰ কাম। |

ইয়াৰ বাহিৰেও ধুবুৰী জেলত বৰ্ত্তমান বাঁহ বেতৰ কাম আৰম্ভ কৰা হৈছে।

(ঘ)—কাৰাগাৰ সমূহত উৎপন্ন হোৱা কৃষিজাত আৰু শিল্পজাত বস্তুবোৰৰ ওপৰঞ্চি অংশ জেল কৰ্ত্তৃপক্ষৰ দ্বাৰা বিক্ৰী কৰা হয়। বিক্ৰী কৰি পোৱা ধন

ট্রেজাৰীত জমা দিয়া হয়।

(ঙ)—আয় ব্যয়ৰ পাঁচবছৰীয়া হিচাব এটা সদনৰ মেজত ৰখা হৈছে।

Re : Licensed Electrical Contractors

Shri Giasuddin Ahmed asked :

*651. Will the Minister, Power (Electricity) be pleased to state—

(a) Whether it is a fact that some private firms namely M/s. Radio Telhic and M/s. Wire and Wireless, Dhubri have been authorised to certify suitability of newly made electric wiring in private houses at Dhubri ?

(b) Whether it is also a fact that no electric connection is given to houses without such certificates from them ?

(c) Whether Government is aware that taking advantage of this sort of monopoly the said firms have been charging very exhorbitant amount from the concerning public ?

Shri Mahammad Idris [ Minister, Power ( Electricity ) ] replied :

651. (a)—At present there are three licensed electrical contractors at Dhubiri, *viz* —

(1) M/s. Radio Talkies Equipment Company.

(2) M/s. Magnet House.

(3) M/s. Wire and Wireless.

(b)—Yes.

(c)—Government have no such information.

বিঃ বৰপেটা-শ্বিলং আৰু বৰপেটা-তেজপুৰ বাছ

ডাঃ সুৰেন্দ্ৰ নাথ দাসে সুধিছে :

*৬৫২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা, শ্বিলং বাছ আৰু বৰপেটা, তেজপুৰ বাছৰ আজি কিমান দিনৰ পৰা চলাচল বন্ধ হৈ আছে ?

(খ) এই দুয়োখন বাছ বন্ধ হৈ থকাৰ কাৰণ কি ?

(গ) অতি সোনকালে এই বাছ দুখন দিয়াৰ ব্যৱস্থা কৰিবনে ?

(ঘ) বৰপেটাত থকা Station Supdt. জনক বদলি কৰি তেওঁৰ ঠাইত Asstt. Supdt. এজন নিয়োগ কৰাৰ কাৰণ কি ?

(ঙ) অতি সোনকালে এজন Station Supdt. নিয়োগ কৰি কৰ্ম্মীসকলৰ দৰমহা আদি বৰপেটাতে পোৱাৰ ব্যৱস্থা কৰিবনে ?

(চ) বৰপেটাত থকা Repairing Centre টো উঠাই অনা কথাটো সঁচানে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

৬৫২ (ক)—বৰপেটা, শ্বিলং বাছ ১৬ অক্টোবৰ ১৯৭২ তাৰিখৰ পৰা আৰু বৰপেটা তেজপুৰ বাছ ৫ অক্টোবৰ ১৯৭২ তাৰিখৰ পৰা সাময়িকভাবে বন্ধ আছে।

(খ)—যাত্ৰীৰ সংখ্যা কম হোৱাৰ কাৰণেই সাময়িকভাৱে এই দুয়োখন চাৰ্ভিচ বন্ধ ৰখা হৈছে। উদাহৰণ স্বৰূপে ১৯৭২ চনৰ ১ অক্টোবৰৰ পৰা ১৫ অক্টোবৰলৈ শ্বিলঙৰ পৰা বৰপেটালৈ পোনপটীয়া যাত্ৰী মাত্ৰ ৪ জনহে আছিল।

(গ)—বৰপেটাৰ পৰা শ্বিলঙলৈ এখন অতিৰিক্ত বাছৰ প্ৰয়োজন উপলব্ধি কৰা হোৱা নাই। বৰপেটাৰ পৰা প্ৰয়োজন হলে গুৱাহাটীলৈ এখন অতিৰিক্ত বাছ দিয়া হব। সেইদৰেই প্ৰয়োজন হলে তেজপুৰৰ পৰা গুৱাহাটীলৈও এখন অতিৰিক্ত বাছ দিয়াৰ কথা চিন্তা কৰা হৈছে।

(ঘ)—প্ৰশাসনীয় প্ৰয়োজনত সাময়িক ভাৱে বৰপেটাৰ আস্থান অধীক্ষকক তেজপুৰলৈ 'এনফৰ্চমেণ্ট' বিষয়া হিচাবে বদলি কৰা হৈছে আৰু তাৰ ঠাইত এজন সহঃ আস্থান অধীক্ষকক কাৰ্য্যভাৰ লবলৈ দিয়া হৈছে।

(ঙ)—আস্থান অধীক্ষকৰ বদলিৰ হুকুম হৈছে যদিও বৰ্ত্তমানলৈকে তেখেতে বৰপেটা কাৰ্য্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া হৈ আছে। কৰ্ম্মচাৰী সকলৰ দৰমহা পোৱাত কোনো অসুবিধা নাই।

(চ)—সঁচা নহয়।

বিঃ কৃষি বান্ধৰ পুনৰ নিৰ্ম্মাণ

শ্ৰীপিটসিং কোঁৱৰে সুধিছে ঃ

*৬৫৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মৰিগাওঁ মহকুমাৰ ভূৰবান্ধা উন্নয়ন খণ্ডৰ ভেদৌআটি ৰূপহীবাৰী কৃষি বান্ধটো পুনৰ নিৰ্ম্মাণ নকৰাৰ ফলত পানীৰ অভাৱত দণ্ডুৱা মৌজাৰ এক বিৰাট অংশত খেতি উৎপাদন নোহোৱাৰ কথা চৰকাৰে জানেনে ?

(খ) এই বান্ধটোৰ পুনৰ নিৰ্ম্মাণৰ কাম হাতত লোৱাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীউপেন্দ্ৰ দাস [ কৃষি বিভাগৰ মন্ত্ৰী ] যে উত্তৰ দিছে ঃ

৬৫৩। [ক]—হয়।

[খ]—হয়, বান্ধটো পুনৰ নিৰ্ম্মাণ কৰাৰ অৰ্থে জৰীপ কাৰ্য্য চলোৱা হৈছে।

Re : Police Out-Post

Shri Mal Chandra Pegu asked :

*654. Will the Minister of State, Home be pleased to state—

[a] whether it was decided by the Choudhury Ministry to established a Police Out-Post at Ahatguri in Majuli and site for construction of the buildings of the Out-Post was also selected ?

[b] If so, why the Out-Post has not been created and construction of the buildings started till this date ?

Shri Hiteswar Saikia [Minister of State, Home] replied:

654. [a]—Government sanctioned the opening of Out-Post at Ahatguri in the year 1966 and site for the purpose was also selected at Dadhara.

[b]—The Out-Post has Started functioning from 1st April, 1973 in a private rented house. Departmental construction of the buildings for the Out-Post could not be undertaken as yet due to stringent financial condition of the State.

Re : Chakcheka Government M. V. School

Shrimati Pranita Talukdar asked :

*655 Will the Minister, Education be Pleased to state

(a) The total amount sanctioned by the Government for the Chakcheka Government. M. V. School in1971-72 and 1972-73 ?

(b) Why the sanctioned amount could not be drawn ?

Shri Harendra Nath Talukdar (Minister, Education) replied :

655.(a)—The total amount sanctioned during :-

1971-72.... Rs. 5,400

1972-73.... Rs. 3.000

(b) The amount could not be drawn because the T. O., Barpeta refused to make payment of the bills without supporting sub-vouchers. As the time was short, it was not possible to execute the work and furnish sub-vouchers. The sanction for 1972-73 was issued during the month of March, 1973.

বিঃ সামাজিক শিক্ষা বিভাগ

শ্ৰীউপেন্দ্ৰ নাথ সনাতনে সুধিছে ঃ

*৬৫৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আমাৰ ৰাজ্যত সামাজিক শিক্ষা বুলি যি এটা বিভাগ আছে সেই বিভাগৰ দ্বাৰা কেনে ভাৱে শিক্ষা প্ৰদান কৰা হয় তাক জনাবনে ?

(খ) এই সামাজিক শিক্ষা বিভাগৰ দ্বাৰা কিমান জন প্ৰাপ্ত বয়স্কক যোৱা পাঁচ বছৰৰ ভিতৰত শিক্ষা দিয়া হ'ল ?

(গ) এই প্ৰাপ্ত বয়স্ক শিক্ষা প্ৰাপ্ত সকলৰ ভিতৰত চাহ বাগিছা অঞ্চলৰ কিমান জন লোক আছে তাক জনাবনে ?

(ঘ) এই সকল কোন কোন ঠাইৰ তাক জনাবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষা বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

৬৫৬। (ক)—সামাজিক শিক্ষা বিভাগৰ দ্বাৰা তলত উল্লেখ কৰা অনুষ্ঠানবোৰৰ যোগেদি প্ৰাপ্ত বয়স্ক নিৰক্ষৰ সকলক শিক্ষা প্ৰদান কৰা হয়—

১। অস্থায়ী বয়স্ক শিক্ষা কেন্দ্ৰ।

২। স্থায়ী বয়স্ক শিক্ষা কেন্দ্ৰ।

৩। কৃষক সাক্ষৰতা যোজনা।

৪। ন-শিকাৰু বিলাকৰ শিক্ষাৰ চৰ্চ্চা ৰাখিবৰ বাবে পুথিভঁড়াল স্থাপন।

৫। সামূহিক কেন্দ্ৰৰ (Community Centre) যোগেদি প্ৰাপ্তবয়স্ক নাগৰিক শিক্ষা দান, উন্নয়নমূলক আঁচনিৰ শিক্ষা, কলা-কৃষ্টিৰ বিষয়ে শিক্ষা দান কৰা।

৬। স্বেচ্ছামূলক অনুষ্ঠানৰ (Voluntary organisation) দ্বাৰাই সমবায়, উন্নত ধৰণৰ, কৃষি প্ৰণালী, গ্ৰাম্য উন্নতিকৰণৰ জ্ঞান, প্ৰাথমিক স্বাস্থ্য নীতিৰ জ্ঞানৰ শিক্ষাদান কৰা।

৭। মহিলা সমিতিৰ জৰিয়তে প্ৰাপ্ত বয়স্ক মহিলাসকলক কাৰ্য্যকৰী শিক্ষাৰ জ্ঞান আৰু হস্ত শিল্পৰ জৰিয়তে সমবায় আৰু ব্যক্তিগত আৰ্থিক উন্নতিৰ শিক্ষা দান কৰা হয়।

৮। গ্ৰাম্য পুথিভঁৰালী আৰু সমাজ কৰ্ম্মীসকলক সমাজ কল্যাণৰ প্ৰশিক্ষণ দান আৰু মইনা পাৰিজাতৰ জৰিয়তে মইনা সকলক নিয়মানুবৰ্ত্তীতা, শৰীৰ চৰ্চ্চা, শৃঙ্খলা আৰু নাগৰিকত্বৰ শিক্ষা দান দিয়া হয়।

(খ)—এই বিভাগৰ জৰিয়তে যোৱা ৫ বছৰে ৪৭,৮৮৯ জন প্ৰাপ্তবয়স্ক পুৰুষ আৰু ৫৩,০৫৫ জন প্ৰাপ্ত বয়স্কা মহিলাক শিক্ষা দিয়া হয়।

(গ)—ইয়াৰ ভিতৰত ৮২৭ জন চাহ বাগিছা অঞ্চলৰ লোক আছে।

(ঘ)—এই সকল তলত উল্লেখিত ঠাইৰ লোক—

| | | |
|---|---|---|
| | ১। ডিব্ৰুগড়— | ২ খন চাহ বাগিছাৰ। |
| | ২। তেজপুৰ— | ৪ ,, ,, ,, |
| | ৩। নগাওঁ— | ১ ,, ,, ,, |
| আৰু | ৪। কাছাৰ— | ১ ,, ,, ,, |

বিঃ চৰকাৰী বাছ

শ্ৰীঅম্বৰীশ চন্দ্ৰ লাহবিয়ে সুধিছে ঃ

*৬৫৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটী, ৰঙীয়া, দৰঙা ৰাষ্ট্ৰীয় পৰিবহন পথত চৰকাৰী বাছ গাড়ী চলোৱা হবনে?

(খ) যদি হয়, কেতিয়াৰ পৰা চলোৱা হব?

(গ) যদি নহয়, তাৰ কাৰণ কি?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৬৫৭। (ক)—গুৱাহাটী, দৰঙা পথ ৰাষ্ট্ৰীয় কৰণ কৰা বিষয়টো অসম মেঘালয় ৰাষ্ট্ৰীয় পথ পৰিবহন নিগমৰ বিবেচনাধীন হৈ আছে।

(খ)—পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ আঁচনিত অন্তৰ্ভুক্তি কৰা হৈছে।

(গ)—ওপৰৰ প্ৰশ্নৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

বিঃ বানপানীত চিগা মথাউৰিৰ মেৰামতি

শ্ৰীলীলা কান্ত দাসে সুধিছে ঃ

*৬৫৮। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭২ চনৰ ২৭ জুলাইত হোৱা অভুতপূৰ্ব্ব বান পানীয়ে লক্ষীমপুৰ জিলাৰ বিভিন্ন নৈ সমুহৰ খণ্ড-বিখণ্ড কৰি চিঙা মথাউৰি সমুহ কিয় আজি পৰিমিত শক্তিশালী ভাবে মেৰামতি কৰি সম্পূৰ্ণ কৰা নাই?

(খ) ১৯৭২ চনৰ ২৭ জুলাইৰ বান পানীৰ খণ্ড-বিখণ্ড হোৱা লক্ষীমপুৰ জিলাৰ বিভিন্ন নৈৰ মথাউৰি সমুহ যাতে ১৯৭৩ চনৰ বাৰিষাৰ যি কোনো বান পানীৰ দুৰ্যোগ মুহুৰ্ত্তত পুনৰ ভাগিছিগি নেযায় তেনে ভিত্তিত আগতীয়াকৈ মেৰামতি কৰাৰ ব্যৱস্থা কিয় চৰকাৰৰ কৰ্ত্তৃপক্ষই হাতত লোৱা নাই?

(গ) উত্তৰ লক্ষীমপুৰ মহকুমাৰ ৰঙা নদীৰ সিংৰা গাওঁ আৰু ডিক্ৰুং এই

কেইখনৰ বানপানীয়ে প্ৰায় প্ৰতিবছৰেই মথাউৰিবোৰ চিঙি স্থানীয় জনসাধাৰণৰ জীৱন নিৰ্ব্বাহৰ পথ অচল কৰি তোলাৰ অৱস্থাতো কিয় কর্তৃপক্ষই স্থায়ী ভিত্তিত উক্ত নৈ কেইখনৰ বান নিয়ন্ত্ৰণৰ ব্যৱস্থা হাতত লোৱা নাই ?

(ঘ) চৰকাৰৰ কর্তৃপক্ষই বিশেষ দৃষ্টি আকর্ষণ কৰাৰ পাচতো ডিক্রুং নৈৰ ৰংগা গাওঁৰ গৰা খহনীয়াত প্ৰতিৰোধৰ কিয় কাৰ্য্যকৰী ব্যৱস্থা চৰকাৰে হাতত লোৱা নাই ?

(ঙ) চৰকাৰে জানেনে যে উক্ত বিষয় সমূহত যদি চৰকাৰে ক্ষিপ্ৰ গতিত কাৰ্য্যকৰী ব্যৱস্থা হাতত নলয় তেন্তে স্থানীয় জনসাধাৰণৰ ভবিষ্যত জীৱন নিৰ্ব্বাহৰ পথ অচল হৈ পৰিব ?

শ্ৰীবিষ্ণু প্ৰসাদ ( বান নিয়ন্ত্ৰন বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৬৫৮। (ক)—১৯৭২ চনৰ বান পানীত চিগা আৰু ক্ষতিসাধন কৰা মথাউৰি সমূহৰ মেৰামতিৰ কাম আগৰ অৱস্থালৈকে ইতিমধ্যে প্ৰায় সম্পূৰ্ণ হৈছে ।

(খ) ১৯৭২ চনত ভঙা মথাউৰি বিলাক ভগাৰ আগৰ অৱস্থালৈ মেৰামতি কৰা হৈছে। কিন্তু এই বিলাক প্ৰয়োজন অনুসৰি অধিক ওখ আৰু শক্তিশালী কৰা হোৱা নাই যিহেতু এনে কামৰ কাৰণে বেলেগ প্ৰকল্পৰ প্ৰয়োজন ।

(গ) - এই নদীকেইখনৰ মথাউৰী শক্তিশালী কৰাৰ কাৰণে আঁচনি যুগুত কৰিবলৈ লোৱা হৈছে।

(ঘ)—এই বিষয়ে নিৰিক্ষণ কৰি থকা হৈছে।

(ঙ)—তেনে বুলি নেজানে।

### বিঃ উত্তৰ লক্ষীমপুৰ আইন কলেজ

শ্ৰীজগদীশ দাসে সুধিছে ঃ

*৬৫৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ পূৰ্ব্ব প্ৰান্তৰত আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে অৱস্থিত অতি পিচপৰা অঞ্চল হিচাপে পৰিগণিত লক্ষীমপুৰ জিলাৰ সদৰ ঠাই

উত্তৰ লক্ষীমপুৰত প্ৰতিস্থিত একমাত্ৰ উচ্চশিক্ষাৰ স্থল উত্তৰ লক্ষীমপুৰ আইন কলেজখন স্বীকৃতি দিবৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু চৰকাৰে ব্যৱস্থা হাতত লৈছে নেকি জনাবনে ?

(খ) যদি লোৱা নাই পিচপৰা অঞ্চল হিচাপে এতিয়াও সেইকথা বিবেচনা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬৫৯। (ক)—উত্তৰ লক্ষীমপুৰ আইন কলেজক চৰকাৰে স্বীকৃতি দিয়াৰ প্ৰশ্ন নুঠে কাৰণ স্বীকৃতি দিয়াৰ দায়িত্ব বিশ্ববিদ্যালয়ৰহে, চৰকাৰৰ নহয়।

(খ)—বিষয়টো বৰ্ত্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিবেচনাধীন হৈ আছে।

## Re : Installation of Electrical Water Pumps

Shri Abdul Muktadir Chouhury asked :

*660. Will the Minister, Agriculture be pleased to state—

(a) How many Electrical Water Pumps have been installed in Cachar for Robi crop programme ? (Figure may be shown as Sub-division-wise).

(b) How many of them are operating ? (Figure to be shown Sub-division-wise).

(c) The total allocation of money for Cachar for Rabi crop programme ?

(d) What was the result ?

Shri Upendra Das (Minister, Agriculture) replied :

660. (a) Altogether 63 Nos. water pumps have been installed in Cachar—

| | | |
|---|---|---|
| (i) Silchar.... | 28 Nos. | (20 H.P. each) |
| (ii) Karimganj.... | 17 ,, | ,, |
| (iii) Hailakandi.... | 18 ,, | ,, |
| Total .... | 63 Nos. | |

(b) The following pumpsets are in operating condition though there is no demand for its running at present.

(i) Silchar .... 20 Nos
(ii) Karimganj.... 15 ,,
(iii) Hailakandi.... 8 ,,

Total .... 43 Nos.

(c) & (d)—The amounts spent for Cachar District is approx. Rs. 32.39 lakhs.

The areas irrigated were—

Silchar .... 8550 bighas of Boro and early Ahu.
Karimganj 1580 ,, ,, ,, ,, ,, ,,
Hailakandi 4300 ,, ,, ,, ,, ,, ,,
Estimated coverage under Rabi crop 13,300 hectares.
Estimated production under Rabi crop 17,258 onnes.

Re: Sarbhog State Dispensary

Srimati Pranita Talukdar asked :

*661. Will the Minister Health be pleased to state—

(a) When the Sarbhog State Dispensary of Sarbhog was established ?

(b) Whether it is a fact that the building and residential quarters for Medical staff of the said dispensary are in a delapidated condition ?

(c) If so, what steps have been taken by the Government to repair the said building and the residential quarters ?

Shri Chatrasing Teron (Minister, Health) replied :

661. (a) Sarbhog State Dispensary was established by Ex-Local Board and taken over by Govt. on lst April 1959.

(b) and (c) Yes, but due to paucity of fund the

repair works could not be taken up.

Re: Hospital Facilities

Shri Pushpadhar Chaliha asked :

*662. Will the Minister, Health be pleased to state-

(a) Whether Government is aware of the fact that the people of the two back-ward localities viz Chutiabasti and Balimukhia in Amguri Constituency are in need of Hospital facilities ?

(b) Whehter it is also a fact that Family Planing Centres were sanctioned for these two places ?

(c) If so, why the said centres were not opened ?

(d) Whether Government proposes to open the said Family Planning centres immediatly ?

(e) If not, the reasons thereof ?

Shri Chatrasing Teron(Minister Health) replied :

662. (a) The people Chutiabasti can receive hospital facilities from the nearest P. H. C. at Morabazar and from Sibsagar Civil Hospital. The people of Balimukhia can receive Hospital facilities from the nearest P. H. C. at Morabazar and from Sibsagar Civil Hospital.

(b), (c), (d), and (e) A Family Planning Sub-Centre has been sanctioned for Chutiabasti. It has not been sanctioned for Balimukhia. The Aux-Nurse-Midwife of Chutiabasti F. P. Sub-Centre is temporarily working at Kamarbandha Ail P. H. C. and not at Chutiabasti for want of accmmodation at Chutiabasti. As regards establishment of a Family Planning Sub-Centre at Balimukhia, the Government will consider in due course.

বিঃ পাইলট প্ৰজেক্ট আঁচনি

শ্ৰীতুলসী দাসে সুধিছে ঃ

*৬৬৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই কথা সঁচানে যে ১৯৭১-৭২ চনত তপশীলভুক্ত লোকৰ উন্নয়নৰ সম্পৰ্কে কেইখনমান পাইলট প্ৰজেক্ট আঁচনি আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছিল ?

(খ) বৰ্ত্তমান বছৰত উক্ত আঁচনি আৰম্ভ কৰাৰ সম্ভাৱনা আছেনে ?

(গ) যদি আছে, কেতিয়াৰ পৰা আৰম্ভ কৰিব আৰু যদি নাই তেনে আঁচনি চৰকাৰে প্ৰৱৰ্ত্তন কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (জনজাতীয় অঞ্চল আৰু অনুন্নত শ্ৰেণীৰ কল্যাণ বিভা-মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬৬৩। (ক)—কেৱল তপশীলভূক্ত লোকৰ বাবেই নহয়, ভৈয়ামৰ জন-জাতীয় লোক আৰু অন্যান্য পিচপৰা জাতি সমূহৰ বাবেও কেইখন মান পাইলট প্ৰজেক্ট আঁচনি লোৱাৰ বাবে ১৯৬৯-৭০ চনৰ পৰাই কেন্দ্ৰীয় চৰ-কাৰৰ লগত যোগাযোগ কৰি থকা হৈছিল। কিন্তু অৱশেষত কেন্দ্ৰীয় চৰকাৰে টকা নিদিয়াৰ ফলত আঁচনি কেইখন কাৰ্য্যকৰী কৰিব পৰা নগ'ল।

(খ)—নাই।

(গ)—তেনে আঁচনি প্ৰৱৰ্ত্তন কৰাব কথা চৰকাৰে একো ভবা নাই।

## বিঃ জনস্বাস্থ্য চিকিৎসালয় স্থাপন

শ্ৰীজয়চন্দ্ৰ বৰাই সুধিছে ঃ

*৬৬৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :-

(ক) আমগুৰি তিতাবৰ আঞ্চলিক পঞ্চায়ত এলেকাব বিৰিণা শায়ক. মেলামাটি, এলেঙী আৰু ৰঙাজান আদি অঞ্চলৰ বাইজে সেই, সেই অঞ্চ-লত একোখন জনস্বাস্থ্য বিভাগৰ চিকিৎসাৰ বাবে কৰা আবেদন চৰকাৰে পাইছেনে ?

(খ) যদি পাইছে, তেন্তে কি ব্যৱস্থা লৈছে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীছত্ৰসিং টেৰণ (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬৭। (ক) আৰু (খ)—আমগুৰি তিতাবৰ আঞ্চলিক পঞ্চায়ত এ লেকাৰ বিৰিণা শায়ক, মেলামাটি আৰু এলেঙী অঞ্চলত এটা জনস্বাস্থ্য

চিকিৎসালয় স্থাপনৰ কাৰণে ৰাইজৰ পৰা কোনো আবেদন চৰকাৰে পোৱা নাই। কিন্তু ৰঙাজান আৰু ফুলবাৰী এলেকাৰ ফুলবাৰীত জনস্বাস্থ্য চিকিৎ-সালয় স্থাপনৰ কাৰণে ৰাইজৰ পৰা চৰকাৰে আবেদন পাইছিল। এই বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিঃ ডাক্তৰবিহীন ডাক্তৰখানা

শ্ৰীআবদুল হান্নান চৌধুৰীয়ে সুধিছে ঃ

*৬৬৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

(ক) ১৯৭৩ চনৰ জানুৱাৰী মাহৰ পৰা বৰ্ত্তমানলৈ কিমান দিন ডাক্তৰৰ অভাৱত চেঙা আৰু বহৰি ডাক্তৰখানা দুখন তলাবন্ধ অৱস্থাত আছিল ?

(খ) এই ডাক্তৰ নোহোৱাত কিমান জন মানুহৰ অকাল মৃত্যু হয় তাৰ খবৰ মন্ত্ৰী মহোদয় কিবা জানেনে ?

শ্ৰীছত্ৰসিং টেৰণ (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬৬৫। (ক)—চেঙা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত ১।১।৭৩ তাৰিখলৈ দুজন ডাক্তৰে কাম কৰি আছিল। ২।১।৭৩ তাৰিখৰ পৰা তেওঁলোকৰ এজনে ছুটী লোৱাত আনজন ডাক্তৰে এতিয়ালৈকে কাম চলাই আছে।

তাৰাবাৰী ( বহৰি ) চিকিৎসালয়ৰ ডাক্তৰজন যোৱা ফেব্ৰুৱাৰী মাহত বদলি হোৱাত তাৰ কম্পাউণ্ডৰ জনে কাম চলাই আছে। যোৱা ২৬ জুনত এজন ডাক্তৰক তালৈ বদলি কৰা হৈছে। সেই বাবে চিকিৎসালয় দুখন তলা বন্ধ অৱস্থাত আছিল বুলি কব নোৱাৰি।

(খ)– এই চিকিৎসালয় দুখনত ডাক্তৰ নথকাৰ বাবে কোনো মানুহৰ অকাল মৃত্যু হৈছে বুলি চৰকাৰে খবৰ পোৱা নাই।

বিঃ পাকা মৌজাত বিস্তৰ ক্ষতি

শ্ৰীকন্দৰ্প কুমাৰ দাসে সুধিছে ঃ

*৬৬৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা মহকুমাৰ অন্তৰ্গত সৰুক্ষেত্ৰী সমষ্টিৰ গাল্লী টুবকুনা আৰু উনীৰ জানৰ পানীয়ে পাকা মৌজাৰ বিস্তৰ ক্ষতি সাধন কৰা কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

(গ) উক্ত জানৰ বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ক জনোৱাত তেওঁ কৃষিমন্ত্ৰী মহোদয়ৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষক বিহিত ব্যৱস্থা লবলৈ হুকুম দিয়া কথা সঁচানে ?

(ঘ) যদি সঁচা হয় কোন তাৰিখে উক্ত হুকুম দিয়া হৈছিল আৰু কি ব্যৱস্থা লোৱা হ'ল ?

শ্ৰীউপেন্দ্ৰ দাস ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৬৬৬। (ক)—স্থানীয় ৰাইজে মুখ্য মন্ত্ৰীলৈ দিয়া এখন দৰ্খাস্তৰ পৰা এই বিষয়ে জনা হৈছে ।

(খ)—নিবাৰণ ব্যৱস্থাৰ বাবে জৰীপৰ কাম হাতত লোৱা হৈছে ।

(গ)—হয় ।

(ঘ)—২৯।৯।৭২ তাৰিখে হুকুম দিয়া হয় । আৰু যাৱতীয় জৰীপৰ কাম হাতত লোৱা হৈছে ।

Re : Construction of building for Barnagar Circle Office.

Shrimati Pranita Talukdar asked :

667. Will the Minister Revenue be pleased to state

(a) Whether there is provision for allotment of a good amount of money during the current financial year for the construction of the Building of the Barnagar Circle Office, Sarbhog ?

(b) If so, whether plans and estimates have been received by the Government ?

Shri Paramananda Gogoi (Minister, Revenue) replied:

667. (a)—No.

(b)—Yes.

## Re: Robi Crop Programme

Shri Nurul Islam asked:

*668 Will the Minister Agriculture be pleased to state-

(a) Whether the Government is going to undertaking the massive Rabi Crop Programme this year too through out the State ?

(b) If so, whether any plan has been prepared for the purpose ?

(c) What will be the estimated cost for the purpose ?

Shri Upendra Das (Minister, Agriculture) replied:

668. (a)—Yes.

(b)&(c)—Plans are under preparation and the costs and details will be known only after the Plans are finalised.

## বিঃ এম, ও, বি, চি, লোকে পোৱা সুবিধা

শ্ৰীমতী তৰুলতা বৰাই সুধিছে :

*৬৬৯। মাননীয় জনজাতীয় অঞ্চল আৰু পিচ পৰা জাতি সমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) এম, ও, বি, চি, কেতিয়াৰ পৰা হ'ল আৰু কি কি ভিত্তিত কৰা হ'ল ?

(খ) এতিয়ালৈকে এই এম, ও, বি, চি, লোকসকলক কি কি সুবিধা দিয়া হৈছে আৰু কোন কোন জাতি কেইটাই এই সুবিধা ভোগ কৰিছে।

(গ) এই এম, ও, বি, চি, লোকসকলক ও, বি, চি, সকলৰ লগত একেলগে সামৰি লোৱাৰ বাবে তেখেতসকলে একো সুবিধা চৰকাৰৰ পৰা আদায় কৰিব নোৱাৰা কথাটো সত্য নেকি ?

(ঘ) যদি সঁচা এই লোক সকলৰ বাবে আচুতীয়াকৈ চৰকাৰে তেওঁলোকৰ উন্নতিৰ অৰ্থে বেলেগ আঁচনিৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (জনজাতীয় অঞ্চল আৰু পিচ পৰা জাতিসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে—

৬৬৯। (ক)—অন্যান্য পিচ পৰা শ্ৰেণীতকৈ তুলনামূলকভাৱে সামাজিক আৰু শিক্ষাৰ ক্ষেত্ৰত পিচপৰা বুলি বিবেচনা কৰি ৫।৭।৬১ তাৰিখে 'অধিক পিচপৰা শ্ৰেণী' বুলি ঘোষণা কৰা হয়।

(খ)—অন্যান্য পিচ পৰা শ্ৰেণী সমূহৰ ভিতৰত নিম্ন লিখিত জাতি সমূহক 'অধিক পিচপৰা শ্ৰেণীৰ' বুলি ঘোষণা কৰা হয়ঃ

(১) মৰাণ আৰু মোটক।

(২) চাহ বাগিচাৰ বনুৱা বা জনজাতিসমূহ যেনে—গোণ্ড, মুণ্ডা, খোণ্ড, ওৰাং, চাওঁতাল, সেবেৰা, পান।

(৩) পূৰ্ব্বতে চাহ বাগিচাত কাম কৰা বনুৱা বা জনজাতিসমূহ যেনেঃ গোণ্ড, মুণ্ডা, খোণ্ড ওৰাং, চাওতাল, সেবেৰা, পান।

(৪) ৰাজবংশী বা কোঁচ ( গোৱালপাৰা আৰু গাৰোপাহাৰ জিলাৰ কোচ)

(৫) চাউদাং।

(৬) মৰিয়া।

(৭) চুতীয়া।

আৰু অধিক পিচ পৰা শ্ৰেণীৰ জাতিসমূহক শিক্ষাৰ সা-সুবিধা, বন বিভাগৰ মহল লোৱা, আবকাৰী দোকান আৰু ঠিকা থুকলি লোৱা আদিত অগ্ৰাধিকাৰ দিয়া হয়।

(গ)—অন্যান্য পিচ পৰা শ্ৰেণীৰ জাতি সমূহক যিবিলাক সা-সুবিধা দিয়া হৈছে সেই সা-সুবিধা বিলাক অধিক পিচ পৰা শ্ৰেণীৰ জাতিসমূহকো দিয়া হৈছে। কেৱল আচুতীয়া সুবিধা হিচাবে অধিক পিচপৰা জাতি সমূহক তৃতীয় বিভাগত স্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষা পাছ কৰিলেও প্ৰবেশিকা স্তৰ (Post matric) বৃত্তি দিয়া হয়।

(ঘ)—প্ৰশ্ন নুঠে।

## Re: Supply Department

Shri Dulal Chandra Barua asked:

*670. Will the Chief Minister be pleased to state—

(a) The total expenditure incurred annually on the pay and allowances of the officers and the staff of the Supply Department ?

(b) Whether the Government propose to take any step for reviewing the staff position *vis-a-vis* absorption of major portion of them in the F. C. I. and the Apex Marketing ?

Shri Sarat Chandra Sinha (Chief Minister) replied-

670. (a) The expenditure on the pay and allowances of the officers and staff of the Supply Department varies from year to year. In 1972-73 it amounted to approximately Rs. 40 lakhs.

(b) There is no proposal before Government to get the major portion of the Supply Department staff absorbed either in the Food Corporation of India or in Apex Marketing Society and as such the question of reviewing the staff position *vis-a-vis* their absorption in these two organisations does not arise.

বিঃ স্মৃতি ৰক্ষাৰ্থে আঁচনি

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে ঃ

*৬৭১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মহাবীৰ 'লাচিত বৰফুকন' আৰু চিলাৰায়'ৰ স্মৃতিত ক্ৰমে ডাক টিকেট প্ৰকাশ কৰা, স্মৃতি ভৱন নিৰ্ম্মাণ কৰা আৰু শৰাইঘাট দলঙৰ দুয়োমূৰে দুয়োজনৰ প্ৰতিকৃতি স্থাপন কৰাৰ প্ৰস্তাৱ চৰকাৰে পাইছেনে ?

(খ) যদি পাইছে, সেই প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ চৰকাৰে কি সিদ্ধান্ত লৈছে ?

(গ) 'লাচিত বৰফুকনৰ' প্ৰতিকৃতি স্থাপন কৰিবলৈ এখন বে-চৰকাৰী অনুষ্ঠানে অৰ্থদান সংগ্ৰহ কৰাৰ কথা চৰকাৰে জানেনে ?

(ঘ) যদি জানে, সেই অনুষ্ঠানখনে কি কাম কৰি আছে ?

(ঙ) ইতিহাস প্ৰসিদ্ধ আৰু অসমৰ জাতীয় জীৱনৰ গৌৰৱময় এই

মহাবীৰ ডুগবাকীৰ স্মৃতিৰ ৰক্ষাৰ বাবে উঠা ৰাইজৰ দাবী চৰকাৰে সোনকালে বিবেচনা কৰি চাবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৬৭১। (ক) আৰু (খ)—মহাবীৰ লাচিত বৰফুকনৰ নামত এটা ন্যাস পৰিষদ গঠন কৰা আৰু প্ৰতিকৃতি স্থাপনৰ প্ৰস্তাৱ বৰ্ত্তমানে চৰকাৰৰ বিবেচনাধীন হৈ আছে। মহাবীৰ চিলাৰায়ৰ নামত এটা ন্যাস পৰিষদ গঠন, স্মৃতি ভৱন আৰু প্ৰতিকৃতি স্থাপন কৰাৰ এটা প্ৰস্তাৱ চৰকাৰে ইতিমধ্যে উক্ত মহাবীৰ ডুঙ্গনৰ নামে ডাক টিকেট প্ৰকাশ কৰাৰ কোনো প্ৰস্তাৱ চৰকাৰে পোৱা নাই।

(গ)—নাজানে ।

(ঘ) –(গ) উত্তৰৰ সন্দৰ্ভত এই প্ৰশ্ন নুঠে ।

(ঙ)—চাব ।

Re : T. A. and D. A. of Ministers and its officials

Shrimati Renuka Devi Barkataki asked :

*672. Will the Chief Minister be pleased to state–

What is the total amount of expenditure incurred by Government on account of T. A. and D. A. of the Ministers their Private Secretaries, Gunmen, Drivers, Peons during 1972-73 ?

(The figure regarding tours inside the State and out side the State should be shown separately).

Shri Sarat Chandra Sinha (Chief Minister) replied-

672. A Statement is placed on the Table of the House

Re : Neamati-Kamalabari Ferry

Shri Mal Chandra Pegu asked :

*673. Will the Minister, Transport be pleased to state –

(a) Whether Government has received a communication

from the Deputy Commissioner of Sibsagar District at Jorhat as to making provision for carrying goods to and from Neamati by the businessmen of Majuli by Special Boats ?

(b) If so, whether Government would make provision for plying Special Boats within the limits of the Neamati-Kamalabari Ferry for carrying commercial goods without paying any tolls to the lessee ?

Shri Harendra Nath Talukdar (Minister, Transport) replied :

673. (a)—A letter was received by Government from Deputy Commissioner, Sibsagar. In this letter the Deputy Commissioner, Sibsagar has moved Government to consider if certain special terms can be incorporated in the subsisting lease of settlement so that traders are not put to difficulty for carrying their goods.

(b)—This is not feasible in the face of the subsisting settlement lease by Government.

বিঃ নম্বৰ বিহীন মটৰ চাইকেল

শ্ৰীকেহোৰাম হাজৰিকাই সুধিছে :

*৬৭৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কামৰূপ জিলাৰ ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ( O / C ) জনে দুখন কোনো নম্বৰ নোহোৱা মটৰ চাইকেল ৰখাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে এই মটৰ চাইকেল কেইখনত নম্বৰ নোহোৱাৰ কাৰণ কি ?

(গ) যদি নাজানে, চৰকাৰে তদন্ত কৰি জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৬৭৪। (ক)—ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনে কোনো মটৰ চাইকেল এতিয়ালৈকে ৰখা নাই ।

(খ)—প্ৰশ্ন নুঠে ।

(গ)—প্ৰশ্ন নুঠে ।

## Re : Necessity of an Over-bridge

Shri Abdul Muqtadir Choudhury asked :

*675. Will the Minister, P. W. D. be pleased to state—

(a) The number of daily interruption of motor Vehicular traffic at Katakhal P. W. D. road-*cum*-Rly. bridge and the time taken in each such interruption ?

(b) Whether Government proposes to construct an over-bridge for motor vehicular traffic on the Katakhal Rly. bridge or make an alternative arrangement for smooth vehicular traffic ?

Dr. Lutfur Rahman (Minister, P. W. D.) replied :

675. (a)—There are two up and two down goods trains and four up and four down passengers trains which pass over this bridge daily. Thus the bridge is closed for 12 times daily on average. The gates approximately remain closed for 30 minutes for through trains and 20 minutes for trains which stop at Katakhal Railway Station.

(b)—There is no such proposal for construction of over bridge. Of course there is a proposal for construction of diversion of Surma Trunk Road. The plans and estimates are under scrutiny of Government of India.

## Re: Erosion of River Gaurrang

Shri Giasuddin Ahmed asked:

*676 Will the Minister, F. C. & I be pleased to state-

(a) Whether Government is aware that due to natural erosion of the river Gaurang the Bilasipara Town and some neighbouring Villages such as Baniapara etc., have been threatened by erosion ?

(b) If so, what steps have been taken in this regard ?

Shri Bishnu Prasad [Minister of State, Flood Control and Irrigation)] replied:

676. (a)—Yes.

(b)—The existing Bilasipara Town Protection Works were strengthened in the year 1973.

Re: Bridge over River Hakua

Shrimati Pranita Talukdar asked:

*677 Will the Minister, P. W. D. (R. & B.) be pleased to state—

(a) Whether Government has decided to construct a bridge over Hakua river under Barpeta Sub division?

(b) If so, the provision obtaining up till now with regard to estimates small financial sanctions and the probable date for completion of the bridge?

Dr. Lutfur Rahman (Minister P. W. D. ,R. & B.) replied:

677. (a)—No.

(b)—Does not arise.

বিঃ অসম সংস্কৃত বৰ্ড

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*৬৭৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত সংস্কৃত শিক্ষাৰ পৰিচালনা আৰু উপাধি পৰীক্ষা লবৰ কাৰণে অসম সংস্কৃত বোৰ্ড নামে এখন বোৰ্ড আছে নেকি ?

(খ) যদি আছে, এই বোৰ্ডখন কোনে গঠন কৰে আৰু এই বোৰ্ডৰ গঠন প্ৰণালী কেনেকুৱা ধৰণৰ ?

(গ) অসম সংস্কৃত বোৰ্ড কেতিয়া গঠন কৰা হ'ল আৰু বোৰ্ডৰ বিষয়ববিয়া আৰু সদস্যসকল কোন কোন ?

(ঘ) বৰ্ডখনে এতিয়ালৈকে কিমানবাৰ পৰীক্ষা লৈছে আৰু বৰ্ডখনে কি কি উপাধি প্ৰদান কৰে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৬৭৮। (ক)—হয়, আছে।

(খ)—এই বৰ্ডখন চৰকাৰে গঠন কৰে। ইয়াৰ গঠন প্ৰণালী Rules for Sanskrit Education ত লিপিবদ্ধ কৰা আছে।

(গ) - এই বৰ্ডখন প্ৰথমে ১৯২৬ চনত গঠিত হয়। এই বৰ্ডৰ ম্যাদ ৩ বছৰ আৰু ৩ বছৰৰ অন্তৰালত এই বৰ্ড পুনৰ গঠিত হয়। বৰ্ত্তমানৰ বৰ্ড গঠনৰ বিজ্ঞপ্তি এখন সদনৰ মেজত ৰখা হৈছে।

(ঘ) - বছৰে এবাৰকৈ এই বৰ্ডে পৰীক্ষা পৰিচালনা কৰে আৰু বিভিন্ন বিষয়ত শাস্ত্ৰী উপাধি প্ৰদান কৰে যেনে—কাব্য শাস্ত্ৰী, ব্যাকৰণ শাস্ত্ৰী, বেদান্ত শাস্ত্ৰী, আয়ুৰ্ব্বেদ শাস্ত্ৰী ইত্যাদি।

## বিঃ পুৰুষৰ বন্ধ্যাকৰণ

শ্ৰীআব্দুল হান্নান চৌধুৰীয়ে সুধিছে ঃ

*৬৭৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পুৰুষৰ বন্ধ্যাকৰণৰ ফলত কিমান লোকৰ মৃত্যু হৈছে ?

(খ) যদি মৃত্যু হৈছে, তেনেহলে কোন মহকুমাৰ কিমান জন ?

(গ) উক্ত মৃত্যু হোৱা ব্যক্তিৰ পৰিয়াললৈ কিবা আৰ্থিক সাহায্যৰ চৰকাৰে ব্যৱস্থা কৰিছেনে ?

শ্ৰীছত্ৰসিং টেৰণ (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬৭৯। (ক) পুৰুষৰ বন্ধ্যাকৰণৰ ফলত কোনো লোকৰ মৃত্যু হোৱা নাই।

(খ) আৰু (গ) প্ৰশ্ন নুঠে।

## Re : Wholesale Co-operative Societies

Shri Atul Chandra Saikia asked :

*680 (a) Whether it is a fact that the wholesale Co-operative Societies, dealing with wheat products, will get commission at the rate of Rs. 2·01 paise per quintal ?

(b) If so, whether above rate will be able to meet the expenditure incurred by these societies ?

Shri Sarat Chandra Sinha (Cheif Minister) replied :

680. (a) – Yes.

(b)—The margin of Rs. 2·01 paisa is fixed on the basis of the margin allowed earlier by the Supply Department to the Private Wholesalers in respect of the wheat and wheat products. It is too early to assess whether or not the expenditure incurred by the Co-operative societies would be covered by the margin allowed to them.

বিঃ মথাউৰি বঢ়াই নিয়াৰ আঁচনি

শ্ৰীমতী তৰুলতা বৰাই সুধিছে :

*৬৮১ মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তিনিচুকীয়া মহকুমাৰ চৈখোৱা ঘাটৰ ব্ৰহ্মপুত্ৰ মথাউৰিটো আৰু ৫ কিলোমিটাৰ আগবঢ়াই দিয়া আঁচনি ১৯৭২ চনতে লোৱা কথাটো সঁচানেকি ?

(খ) যদি সঁচা হয়, ইয়াৰ কাম কেতিয়া আৰম্ভ কৰা হব জনাবনে ?

শ্ৰীবিষ্ণু প্ৰসাদ (বান নিয়ন্ত্ৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬৮১। (ক)—আঁচনি এখন বিবেচনাধীন হৈ আছে।

(খ)—প্ৰশ্ন নুঠে।

Re : Post of Legal Remembrancer

Shri Dulal Chandra Barua asked :

*682. Will the Minister, Law be pleased to state—

(a) What are the principles for selection of an incumbent for the post of Legal Remembrancer ?

(b) Whether the recent appointment of the Secretary, Assam Legislative Assembly to the post of legal Remembrancer is in accordance with the accepted norms and principles hither to followed by the Government.

Syed Ahmed Ali (Minister, Law) replied :

682. (a) & (b)—The principles and method for recruitment to the post of Legal Remembrancer are laid down in the Assam Legal Service Rules, 1962 and the recent appointment has been made in accordance with these Rules.

Re : Construction of Tourist Lodge at Majuli

Shri Mal Chandra Pegu asked :

*683. Will the Minister, Tourism be pleased to state—

Whether Government propose to construct a Tourist Lodge at a central place in Majuli ?

Shri Harendra Nath Talukdar (Minister, Tourism) replied :

683.—Presently, there is no such proposal to construct a Tourist Lodge at Majuli.

Re : Misus of Seeds

Shrimati Renuka Devi Barkataki asked :

*684. Will the Minister, Agriculture be pleased to state-

(a) Whether it is a fact that a portion of seeds given to the cultivators under the Rabi Crop Scheme had been utilised as food staff and a portion was sold in the market ?

(b) If so, what step Government has taken to prevent such misuse and punish those members of public, who indulged in such activities ?

(c) Whether it is a fact that due to misuse of wheat seeds by some of the cultivators, many Chaki Mills had earned lot of money milling these seeds ?

Shri Upendra Das (Minister, Agriculture) replied :

684. (a)—Some reports of misuse of seeds were received.

(b)—Action was taken to alert district officials to be careful in this regard and publicity was also given to deter people from using seeds as food stuff. Criminal cases have also been taken against person suspected to the involved in misuse of seeds.

(c) –No.

Re : Electrical Pumps

Shri Abdul Muqtadir Choudhury asked :

*685. Will the minister, Agriculture be pleased to state-

(a) How many electrical pumps were at Jabainpur irrigation project under South Karimganj Development Block ?

(b) Whether it is a fact that all the Electrical pumps have been withdrawn ?

(c) If so, why ?

Shri Upendra Das (Minister, Agriculture) replied :

685. (a)—3 Nos.

(b)—Yes.

(c)—One pump house was blown off by Pakistani Saboteures in 1971. Another pump house was eroded away by the river. The pumpset in the 3rd pumping point was withdrawn because the river course had taken a turn to the other bank silting up the pump suction base on the left bank. Further more, the cultivators were not found to be too keen to take to irrigated agriculture.

Re : Assam Seed Corporation

Shri Giasuddin Ahmed asked :

*636. Will the Minister, Agriculture be pleased to state-

(a) The objects of the Assam Seed Corporation ?

(b) How they will function to achieve those objects ?

Shri Upenpra Das (Minister, Agriculture) replied :

686. (a) – The main object are—

(1) To carry on in the State of Assam the Production, processing, drying, storing, distribution and transportation of agricultural seeds.

(2) To carry on business as seed merchants, to buy, sell, grow, prepare for market, import, export and deal in seeds of all kinds.

(b)—The Assam Seeds Corporation took over all the seed Farms and nurseries of the Agriculture Department in the Plains districts of Assam at the time of its inception. Some of these have been abandoned, since due to reasons of ecnomic viability. Seeds and seedlings are produced in these farms and after being dried, graded and properly stored are sold to cultivators at retail prices along with seeds that are brought from time to time from outside agency such a National seed corporation, Tarai Development, etc., Sometimes to meet emergent requirements of seeds, seeds of local crops are also purchased from local private parties. The Corporation has also undertaken a scheme for muliplication of improved seeds throuh selecttd Agriculturists.

বিঃ সভাপতি বনাম মেনেজাৰ

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*৬৮৭। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

(ক) যোৱা ১৯৭২ চনৰ ৭ অক্টোবৰ তাৰিখে এপেক্স বেঙ্ক গোলাঘাট শাখাৰ মেনেজাৰে নতুনজন মেনেজাৰক উক্ত শাখাৰ অন্তৰ্গত অসম সমবায় চেনিকলৰ চেনিৰ গুদাম চমজাবলৈ যাওঁতে চেনিকলৰ সভাপতি শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰদলৈ ডাঙৰীয়াই যাব খোজা মেনেজাৰ শ্ৰীঅমলেন্দু বৰাক মাৰিবলৈ ধৰে নানা অসং ব্যৱহাৰ সঁচানে?

(খ) এই মেনেজাৰজনক ৰাষ্টাত পিতাবলৈ ব্যৱস্থা কৰাৰ গম পাই

যাব খোজা মেনেজাৰ শ্ৰীঅমলেন্দু বৰা আৰু নতুন মেনেজাৰ শ্ৰীখগেশ্বৰ গোঁহাইয়ে অন্য ৰাষ্টাৰে পলাই সাৰিব লগা হল সচানে?

(গ) উক্ত ঘটনা এপেক্ষ বেঙ্ক আৰু বেঙ্কৰ শ্ৰমিক সংঘ আৰু চেনি-শ্ৰমিক সংঘই আৱশ্যকীয় ব্যৱস্থা গ্ৰহণাৰ্থে চৰকাৰৰ দৃষ্টি গোচৰ কৰা কথা জানেনে?

(ঘ) এই ঘটনাৰ কিবা ব্যৱস্থা চৰকাৰে এতিয়ালৈকে কৰিছেনে?

(ঙ) চেনিকলৰ ৪ লাখ ২হেজাৰ টকাৰ অপহৰণৰ লগত এই ঘটনাৰ কিবা সম্পৰ্ক আছে বুলি চৰকাৰে ভাবেনে?

শ্ৰীগজেন তাঁতী (সমবায় মন্ত্ৰী) উত্তৰ দিছে:

৬৮৭। (ক) উক্ত তাৰিখে শ্ৰীঅমলেন্দু বৰাক চেনিকলৰ সভাপতি শ্ৰীসৰ্ব্বেশ্বৰ বৰদলৈয়ে চেনিকলৰ টকা আত্মসাত হোৱা ঘটনা সম্পৰ্কত চোকা ভাষাৰে তিৰস্কাৰ কৰে, কিন্তু মাৰিবলৈ ধৰা কথাটো সঁচা নহয়।

(খ) মেনেজাৰজনক পিতাবলৈ ব্যৱস্থা কৰা কথা সঁচা নহয়।

(গ) হয় জানে।

(ঘ) এই বিষয়ে অনুসন্ধান হৈছিল।

(ঙ) হয়, ভাবে।

বিঃ অসম সংস্কৃত বোৰ্ডৰ উপাধি আৰু মধ্য পৰীক্ষা

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে:

*৬৮৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) অসম সংস্কৃত বোৰ্ডৰ অধীনত হোৱা উপাধি পৰীক্ষাত প্ৰথম বিভাগৰ প্ৰথম স্থান অধিকাৰ কৰা ব্ৰাহ্মণ সম্প্ৰদায়ৰ লৰাক "ললিত চন্দ্ৰ মুকুন্দ প্ৰিয়া" নামৰ সোণৰ পদক এটি দিয়া হয় সঁচানে?

(খ) এই পদকটিৰ মূল্য কিমান আৰু পদকটি কোনে যোগাৰ কৰে?

(গ) অসমৰ সংস্কৃত বোৰ্ডৰ অধীনত মধ্য পৰীক্ষাত ৰত্ন-মালা ব্যাকৰণত প্ৰথম বিভাগৰ প্ৰথম স্থান অধিকাৰ কৰা ব্ৰাহ্মণৰ ল'ৰাক "ভূবন প্ৰতিমা" নামৰ বিশেষ বৃত্তিটো দিয়া হয় সঁচানে?

(ঘ) অসম সংস্কৃত বোৰ্ডৰ অধীনত হোৱা পৰীক্ষাৰ প্ৰশ্নৰ (ক) আৰু (গ) উল্লেখ কৰা পদকটি আৰু বৃত্তিটো যদি ব্ৰাহ্মণ সম্প্ৰদায়ৰ লৰাক দিয়া

হয়, তেন্তে অব্ৰাহ্মণৰ লৰাই যদি সেই পৰীক্ষাত সেই সেই স্থান অধিকাৰ কৰে তেন্তে তেওঁলোকক কি কি পদক বা বৃত্তি দিয়া হয় ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬৮৮। (ক)—সকলো সম্প্ৰদায়ৰ ছাত্ৰকে যোগ্যতা অনুসাৰে এই পুৰস্কাৰ দিয়া হয়। ব্ৰাহ্মণ অব্ৰাহ্মণৰ প্ৰশ্ন নুঠে।

(খ)—নলবাৰীৰ ৺প্ৰতাপ চন্দ্ৰ গোস্বামীয়ে অসম সংস্কৃত বোৰ্ডক এই সোণৰ পদকটিৰ বাবে ১,০০০ টকা দান দিয়ে। সংস্কৃত বোৰ্ডে এই টকাৰ সূতেৰে পদকটি দিয়ে। ইয়াৰ মূল্য সচৰাচৰ সোণৰ মূল্যৰ ওপৰত নিৰ্ভৰ নকৰে আৰু দাতাই কোনো সঠিক মূল্য ও নিৰ্দ্ধাৰণ কৰি দিয়া নাই।

(গ)—বোৰ্ডৰ অধীনত "ভূবন প্ৰতিমা" নামৰ এটি বিশেষ বৃত্তি আছে। এই বৃত্তিৰ বাবে ৺ভূবন ৰাম দাসে ২,০০০ টকাৰ এটা অনুদান দিছিল। আৰু মধ্য পৰীক্ষাত সৰ্ব্বচ্চ নম্বৰ পোৱা ব্ৰাহ্মণৰ লৰাক এই টকাৰ সুতৰ পৰা পোৱা টকাৰে দুবছৰৰ বাবে মাহে ৯ টকাকৈ এটি বৃত্তি দিয়া হয়। দাতাৰ ইচ্ছানুসাৰে এই বৃত্তিধাৰী ছাত্ৰ জন অসম উপত্যকাৰ ব্ৰাহ্মণ সম্প্ৰদায়ৰ হব লাগিব। আৰু এই বৃত্তিৰ লগত অন্য কোনো বৃত্তি উপভোগ কৰিব নোৱাৰিব।

(ঘ)—'ললিত চন্দ্ৰ মুকুন্দ প্ৰিয়া" পদকটি যি কোনো সম্প্ৰদায়ৰ ছাত্ৰকে যোগ্যতা অনুসৰি দিয়া হয়। কেৱল 'ভূবন প্ৰতিমা' বৃত্তিটো দাতাৰ ইচ্ছানুসাৰে অসম উপত্যকাৰ ব্ৰাহ্মণ সম্প্ৰদায়ৰ ছাত্ৰৰ কাৰণে আচুতীয়াকৈ ৰখা হৈছে। অব্ৰাহ্মণ বা ব্ৰাহ্মণ ল'ৰাই যদি উপাধি পৰীক্ষাক সৰ্ব্বোচ্চ নম্বৰ পায় তেনেহলে তেওঁক বোৰ্ডৰ পৰা ১০০ টকাৰ পুৰস্কাৰ আৰু "ললিত চন্দ্ৰ মুকুন্দ প্ৰিয়া" নামৰ সোণৰ পদকটি দিয়া হয়। মধ্য পৰীক্ষাত সৰ্ব্বোচ্চ নম্বৰ পোৱা ছাত্ৰক (জাতিবৰ্ণ নিৰ্ব্বিশেষে) বোৰ্ডৰ পৰা মাহিলী ৮·০০ টকা হিচাবে ২ বছৰৰ বাবে এটা বৃত্তিৰ ব্যৱস্থা আছে। কিন্তু সেই ছাত্ৰজন যদি ব্ৰাহ্মণ সম্প্ৰদায়ৰ হয় আৰু যদি ভূবন ৰাম ভূবন ৰাম প্ৰতিমা বৃত্তি পায় তেন্তে দ্বিতীয় ছাত্ৰজনক জাতিবৰ্ণ নিৰ্ব্বিশেষে ওপৰত উল্লেখ কৰা ৮·০০ টকীয়া বৃত্তিটো দিয়া হয়।

## Re : Construction of Hospitals

Shri Atul Chandra Saikia asked :

*689. Will the Minister, Health be pleased to state—

(a) Whether it is a fact that the Government has failed to provide necessary land to the E. S. I. authorities to construct its own hospitals at Gauhati and at Tinsukia ?

(b) If so, when the Government will provide necessary land to the E. S. I. authorities ?

Shri Chatrasing Teron (Minister, Health) replied :

689. (a)—Yes, as suitable Government land is not available. But Government is trying to acquire tand from privat source.

(b)—Land will be provided after the necessary formalities for acquisition are completed.

Re : Record of Rights Operation

Shri Abdul Muqtadir Choudhury asked :

*690. Will the Minister, Revenue be pleased to state—

(a) Whether it is a fact that residuary works of permanent settlement areas of Karimganj Sub-division has not been completed resulting in a completeness in preparation of records of rights of tenants and *ex*-proprietor ?

(b) How many ex-proprietor have been supplied with final khatians in Karimganj sub-division ?

(c) Whether it is a fact that tenants and ex-proprietors have not been supplied with copies of final Khatian and Settlement Operation was closed abruptly and no rent was calculated ?

(d) Whether it is a fact that under land reforms Government sanction was given to a Settlement Officer and other staff for Karimganj Sub-division in 1972 to complete the aforesaid work as well as to prepare the records of rights etc., but the sanction has expired and no Officer has yet been posted ?

Shri Paramanda Gogoi (Minister, Revenue) replied :

690. (a)—After closure of the record of rights operation in Karimganj, it came to the notice of Government that some works connected with the operation were not completed. Govenment have taken steps to complete these residuary works.

(b)—No final Khatian has yet been issued ex-proprietors.

(c)—The Settlement Operation was closed with effect from 1st October 1968. After closer of the operation it came to notice of Government that in many cases the rent has not been shown in the appropriate column of the Khatians for which the distributions of many Khatians are held up.

(d)—A post of Settlement Officer was created and it has been fiilled up recently. The sanction for the post exists.

Re : Discrapancies noticed in General Accounts

Shri Dulal Chandra Barua asked :

*691. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that the Department did not reconcile its figures with these appearing in the general accounts of the Audit Office as required so as to keep a correct the proforma accounts for the year 1966-67 ?

(b) The nature of discrepancies may be elucidated and whether there are any defalcation noticed ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

691. (a)—No, Sir.

(b)—During the course of reconciliation some discrepancies were noticed, the details of which are indicated in a

statement which has been placed on the Table of the House. The discrepancies indicate that some serious irregularities have occurred. These irregularities are being examined by Government in depth to ascertain whether they amount to defalcations. At this stage it would not, therefore be possble to indicate whether any defalcation has actually occurred or not.

### বিঃ সৰভোগ ৰাজ্যিক স্বাস্থ্য কেন্দ্ৰ

শ্ৰীমতী প্ৰণীতা তালুকদাৰে সুধিছে ঃ

*৬৯২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী (ক) বৰপেটা মহকুমাৰ সৰভোগ ৰাজ্যিক মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

স্বাস্থ্য কেন্দ্ৰটোৰ ঘৰ-দুৱাৰবোৰ প্ৰায় ভাঙি যোৱাৰ বিষয়ে চৰকাৰে অৱগত হৈছেনে নাই ?

(খ) যদি হৈছে, এই স্বাস্থ্য কেন্দ্ৰটোৰ নতুন ঘৰ তৈয়াৰ কৰিবলৈ চৰকাৰে কিবা প্ৰস্তুতি লৈছে নে নাই ?

শ্ৰীছত্ৰসিং টেৰণ (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬৯২। (ক) আৰু (খ)—হয়, কিন্তু পুঁজিৰ অভাৱত ঘৰ-দুৱাৰবোৰ মেৰামতি কৰিব পৰা নাই।

### Re : Misuse of Wheat Seed

Shrimati Renuka Devi Barkataki asked :

*993. Will the Minister, Agriculture be pleasd to state—

(a) Whether it is a fact that a substantial part of the wheat seeds supplied by the Government to the cultivators under Rabi Crop Programme were used by the cultivators as their food ?

(b) If so, whether Government has made any enquiry in this matter ?

(c) Whether Government has received lately any complaint of supply of seeds of different crops with less germination capacity ?

Shri Upendra Das (Minisrer, Agriculture) replied :

693. (a)—No.

(b)—Does not arise.

(c)—Some complaints had been received earlier but not recently.

Re : Financial Assistance to Wholesale Co-operative Societies.

*694. Will the Minister, Co-operation be pleased to state—

(a) Whether it is a fact that the Assam Co-operative Apex Bank Limited has been asked by the Government to finance the wholesale Co-operative Societies dealing with wheat and its product ?

(b) If so, the rate of interest payable to the aforesaid Bank by these Societies ?

(c) Whether the aforesaid Bank has been able to obtain finance from the State Bank of India below the Bank rate ?

(d) If not, how the Bank will be able to finance these societies by borrowing money over the bank rate or at per with the bank rate ?

Shri Gajen Tanti (Minister, Co-operation) replied :

694. (a)—Yes.

(b)—The rate of interest is $9\frac{1}{2}$ percent.

(c)—No. It does not require finance from State Bank of India for this purpose.

(d)—The Assam Co-operative Apex Bank Limited will

finance the Co-operative Socities out of its own resources.

বিঃ চাবচিডাইজদ ডিচপেনচেৰীৰ উন্নতিকৰণ

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*৬৯৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট মহকুমাৰ অন্তৰ্গত দক্ষিণ হেঙ্গেৰা মৌজাৰ পূৰ্ব্বৰ কঠীয়াতলী নামৰ চাবচিডাইজদ ডিচপেনচেৰীখন উন্নত কৰাৰ কিবা আঁচনি চৰকাৰৰ আছে নেকি ?

(খ) এই কঠীয়াতলী চাবচিডাইজদ ডিচপেনচেৰীখনতে লগ লগাই পৰিয়াল পৰিকল্পনা আঁচনি এখন কৃতকাৰ্য্য কৰিবলৈ চৰকাৰে যোৱা বছৰৰে এখন কৃতকাৰ্য্য কৰিবলৈ চৰকাৰে যোৱা বছৰৰে পৰা এখন আঁচনি লোৱাৰ কথা বিবেচনা কৰিছিল। এই কথা সঁচানে ?

